


গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ২৩ জানুৱাৰী ২০২৬/৯ মাঘ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ
● সংখ্যা - ৪০ ● Vol - 14, Issue - 40

# ডাভোছৰ ৱৰ্ল্ড ইক’নমিক ফ’ৰামত অংশগ্ৰহণ কৰা প্ৰথমজন অসমীয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

## বিশ্বৰ সন্মুখত মুখ্যমন্ত্ৰীয়ে তুলি ধৰিব ৰাজ্যৰ উন্নয়নমুখী পৰিকল্পনা, স্বাক্ষৰিত হ’ব একাধিক বুজাবুজি চুক্তি






**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** চুইজাৰলেণ্ডৰ ডাভোছত ১৯ জানুৱাৰীৰ পৰা ২৩ জানুৱাৰীলৈ অনুষ্ঠিত হ’বলগা বিশ্বৰ অতি সন্মানজনক ৱৰ্ল্ড ইক’নমিক ফ’ৰামত (ডব্লিউ ই এফ) অংশগ্ৰহণ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। উল্লেখযোগ্য যে, ভাৰতৰ কেইবাখনো আগশাৰীৰ ৰাজ্যৰ লগতে অসমকো প্ৰতিনিধিত্ব কৰিবলৈ ভাৰত চৰকাৰে এই সুযোগ প্ৰদান কৰিছে। পূৰ্বে দেশৰ আগশাৰীৰ ৰাজ্যসমূহে এই ৱৰ্ল্ড ইক’নমিক ফ’ৰামত ভাৰতক প্ৰতিনিধিত্ব কৰি আহিছিল। কিন্তু এইবাৰ প্ৰথমবাৰৰ বাবে অসমক ভাৰত চৰকাৰে এই সুযোগ প্ৰদান কৰিছে। এই সন্মিলনত অংশ গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই ডাভোছত চাৰিদিন থাকি বিশ্বৰ উদ্যোগপতি, অৰ্থনীতিবিদ, বহুজাতিক কোম্পানীৰ চি ই অ’, বিশ্ব বেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি, বিশ্ব বাণিজ্য সংস্থাৰ মুৰব্বীসকলৰ সৈতে ৱৰ্ল্ড ইক’নমিক ফ’ৰামত অসমক প্ৰতিনিধিত্ব কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ৱৰ্ল্ড ইক’নমিক ফ’ৰামত অংশ লোৱা প্ৰথমগৰাকী অসমীয়া।

উল্লেখ্যযোগ্য যে, যিকোনো ৰাজ্য, উদ্যোগ প্ৰতিষ্ঠান বা দেশে ৱৰ্ল্ড ইক’নমিক ফ’ৰামত সঠিক বক্তব্য উপস্থাপন কৰিব পাৰিলে বিশ্বৰ প্ৰসিদ্ধ বিনিয়োগকাৰীসকলক আকৰ্ষণ কৰাৰ সুযোগ থাকে। এডভান্টেজ আছাম সন্মিলনৰ সফল সামৰণিৰ পাছত মুখ্যমন্ত্ৰীৰ ডাভোছত ৱৰ্ল্ড ইক’নমিক ফ’ৰামত অংশগ্ৰহণে অসমৰ বিনিয়োগ, অৰ্থনীতি আদি বিষয়ত এক নিশ্চিত ৰূপত বিশেষ প্ৰভাৱ পেলাব। ৱৰ্ল্ড ইক’নমিক ফ’ৰামত আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ দৰে দেশ-বিদেশৰ গুৰুত্বপূৰ্ণ ৰাজনৈতিক নেতাসকলো উপস্থিত থাকে। এইবেলিও আমেৰিকাৰ ৰাষ্ট্ৰপতিকে ধৰি ভিন্ন দেশৰ ৰাষ্ট্ৰপতি উপস্থিত থাকিব। এইক্ষেত্ৰত দেশৰ প্ৰধানমন্ত্ৰীয়ে অসমৰ মুখ্যমন্ত্ৰীৰ নাম এই তালিকাত অন্তৰ্ভুক্ত কৰাত নৱবৰ্ষৰ আৰম্ভণিতে এক ভাল খবৰ হিচাপে বিবেচিত হৈছে। উল্লেখযোগ্য যে পাঁচ দিনীয়া এই সন্মিলনখনত অসম তথা ভাৰতৰ অন্তৰ্ভুক্তিমূলক বিকাশ আৰু ডিজিটেল বিপ্লৱ আদিকে ধৰি উন্নয়নৰ বিভিন্ন বিষয় উপস্থাপন কৰা হ’ব। ইতিমধ্যে ভাৰতৰ দ্ৰুত অৰ্থনৈতিক বিকাশে বিশ্বজুৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰি আহিছে। বৰ্তমানৰ ৰাজ্য চৰকাৰে অসমৰ ক্ষিপ্ৰ উন্নয়ন আৰু সম্ভাৱনামূলক অৰ্থনৈতিক বিকাশৰ দিশত লোৱা পদক্ষেপে উন্নয়নৰ নতুন দুৱাৰ মুকলি কৰিছে। তেনে প্ৰেক্ষাপটত এইবাৰ অসমেও সেই সুযোগ লাভ কৰিব। আনহাতে গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত উল্লেখযোগ্য অগ্ৰগতিৰ সৈতে বিশ্ব মঞ্চত আগশাৰীৰ শক্তি হিচাপে ভাৰতে নিজৰ স্থান অধিক দৃঢ় কৰি তুলিছে আৰু অসমেও এক দিশত মুখ্য ভূমিকা গ্ৰহণ কৰিব পাৰে। ৰাজ্যৰ উন্নয়নত নতুন মাত্ৰা প্ৰদানৰ বাবে মুখ্যমন্ত্ৰীয়ে ভিন্ন পৰিকল্পনা ফ’ৰামত উপস্থাপন কৰি অসমক বিশ্বৰ সন্মুখত শক্তিশালীভাৱে তুলি ধৰাৰ প্ৰয়াস কৰিব। মুখ্যমন্ত্ৰীৰ এই ফ’ৰামত অংশগ্ৰহণৰ জৰিয়তে অসমে আৰ্থিক ক্ষেত্ৰত অংশীদাৰিত্ব শক্তিশালী কৰা, বিনিয়োগকাৰীক

*১০ পৃষ্ঠাত*

# কাজিৰঙা এলিভেটেড কৰিডৰৰ আধাৰশিলা প্ৰধানমন্ত্ৰী মোদীৰ

**বোকাখাত ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বৰ্তমান দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত আছে। তেওঁৰ ভ্ৰমণৰ দ্বিতীয়টো দিনত কাজিৰঙাৰ বহু প্ৰত্যাশিত এলিভেটেড কৰিডৰৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে কলিয়াবৰৰ মৌচন্দা পথাৰত আয়োজিত এখন বিশাল জনসভাত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে অসমবাসীৰ বাবে কেইবা হাজাৰ কোটি টকাৰ উন্নয়নমূলক আঁচনিৰ উপহাৰ আগবঢ়ায়। মৌচন্দা পথাৰত উপস্থিত হোৱাৰ লগে লগে বিভিন্ন জনগোষ্ঠীয় সাংস্কৃতিক দলে প্ৰধানমন্ত্ৰীক উষ্ম আদৰণি জনায়। তাৰ পিছতে তেওঁ প্ৰস্তাৱিত এলিভেটেড কৰিডৰৰ মডেলটো পৰ্যবেক্ষণ কৰে আৰু আনুষ্ঠানিকভাৱে ইয়াৰ শিলান্যাস কৰে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে পাৰ হৈ যোৱা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত নিৰ্মাণ হ’বলগীয়া এই এলিভেটেড কৰিডৰটোৰ বাবে প্ৰায় ৬,৯৫৭ কোটি টকা ব্যয় কৰা হ’ব। এই প্ৰকল্পটোৱে ৩৫০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৪-লেন যুক্ত পথ সামৰি ল’ব। ইয়াৰ ফলত বিশেষকৈ বানপানীৰ সময়ত কাজিৰঙাৰ বন্যপ্ৰাণীসমূহৰ সুৰক্ষা নিশ্চিত হ’ব, কাৰণ তেওঁলোকে কোনো বিপদ নোহোৱাকৈয়ে ৰাস্তাৰ তলৰ অংশৰে কাৰ্বি আংলং পাহাৰলৈ যাতায়াত কৰিব পাৰিব। এই বিশেষ প্ৰকল্পটোৱে অঞ্চলটোৰ পৰ্যটনৰ লগতে যাতায়াত আৰু যোগাযোগ ব্যৱস্থাক এক নতুন মাত্ৰা প্ৰদান কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। জনসভাক সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ প্ৰতি থকা তেওঁৰ

*১০ পৃষ্ঠাত*

# বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী মহোৎসৱ সামৰণি

## বৰ্ণিল শোভাযাত্ৰাৰে উজ্জলিল গুৰুজনাৰ পবিত্ৰ জন্মভূমি, জনপ্ৰিয় কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰৰ গীতে মোহিলে দৰ্শকক

**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ উচ্চ শিক্ষাৰ অন্যতম আগশাৰীৰ প্ৰতিষ্ঠান হৈছে বটদ্ৰৱা শ্ৰীশ্ৰীশংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পৱিত্ৰ জন্মভূমিত ১৯৫০ চনৰ কোনো এক শুভক্ষণত বহুকেইজন মহানুভৱী সমাজহিতৈষী লোকৰ ঐকান্তিক আৰু আশাশুধীয়া প্ৰচেষ্টাত গঢ়ি উঠিছিল মহাপুৰুষজনাৰ নামেৰে সুশোভিত এই শিক্ষা প্ৰতিষ্ঠানখনি। প্ৰতিষ্ঠা কালৰে পৰা বৃহত্তৰ অঞ্চলটোৰ নৱ প্ৰজন্মক সুশিক্ষাৰে শিক্ষিত কৰি তোলাত অগ্ৰণী ভূমিকা পালন কৰি অহা এই শিক্ষা প্ৰতিষ্ঠানখনে ইতিমধ্যে সগৌৰৱে ৭৫ টা বৰ্ষ গৰকিবলৈ সক্ষম হৈছে। সেয়ে শিক্ষানুষ্ঠানখনৰ গৌৰৱোজ্বল ঐতিহ্যক সোঁৱৰি যোৱা ১৬, ১৭ আৰু ১৮ জানুৱাৰীত বিস্তৃত কাৰ্যক্ৰমণিকাৰে




মহাৰজত জয়ন্তী মহোৎসৱটি বেছ ওলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। তদনুযায়ী শিক্ষানুষ্ঠানখনৰ চৌহদত প্ৰাক্তন আৰু বৰ্তমানৰ গুৰু-শিষ্যৰ মহামিলনৰ লগতে বিশিষ্ট অতিথি, অভ্যাগত তথা শুভাকাংক্ষী লোকৰ উপস্থিতিৰে একপ্ৰকাৰে উখল-মাখল পৰিৱেশৰ সৃষ্টিৰে সমন্বয় ক্ষেত্ৰত পৰিণত হোৱা দেখা যায়। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱাৰ ভাগত বিদ্যালয়ৰ মহাৰজত জয়ন্তী বৰ্ষৰ স্মৃতি বহনকাৰী নৱনিৰ্মিত স্মৃতিসৌধ উন্মোচন কৰে উদ্‌যাপন সমিতিৰ সভাপতি তথা

*১০ পৃষ্ঠাত*

# শিৱসাগৰত আসাম কেমিকেলচৰ গৌৰৱোজ্বল সোণালী জয়ন্তী উদ্‌যাপন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** উজনি অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত এক অন্যতম প্ৰতিষ্ঠান হিচাপে নিজৰ উৎকৃষ্টতাৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হোৱা আসাম কেমিকেলচে গ্ৰাহকৰ বিশ্বাস অটুট ৰখাৰ লগতে এক নিৰ্ভৰযোগ্য ব্যৱসায় প্ৰতিষ্ঠান হিচাপে সমাদৰ লাভ কৰিছে। উল্লেখযোগ্য যে, ১৯৭৬ চনতে প্ৰয়াত বসন্ত শৰ্মাই কলিকতাৰ পৰা বিমানেৰে ডিস্টিল বাটাৰ আনি ব্যৱসায়ৰ পাতনি মেলা আসাম কেমিকেলচ নামৰ এই বিজ্ঞান ভিত্তিক প্ৰতিষ্ঠানটোৱে বৰ্তমান ৰাইজৰ মাজত বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ২০০৩ চনৰ পৰা স্বত্বাধিকাৰী টিকেন শৰ্মাৰ জ্যেষ্ঠ পুত্ৰ ৰাজীৱ শৰ্মাই প্ৰতিষ্ঠানটিৰ গুৰি ধৰি আহিছে। আসাম কেমিকেলচৰ ৫০ বছৰীয়া বৰ্ষ উপলক্ষে যোৱা ১৬ জানুৱাৰীত সাংস্কৃতিককৰ্মী অনুৰাগ শৰ্মাই পৰিচালনা কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে গুৱাহাটীৰ আই এ এছ এছ টি অধ্যাপক ড° দেৱজিৎ ঠাকুৰ। অনুষ্ঠানত প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰী টিকেন শৰ্মা, শিৱসাগৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক দেৱজ্যোতি গগৈ, শিৱসাগৰৰ বিশিষ্ট শিক্ষাবিদ দিপালী চলিহা, জয়শ্ৰী চলিহা, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্ত, গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ সব্যসাচী মহন্ত, শিৱসাগৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা শিৱসাগৰ উন্নয়ন প্ৰাধিকৰণৰ সভাপতি ড° প্ৰকাশ কটকী, জ্যেষ্ঠ সাংবাদিক তথা বৃহত্তৰ শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি মনোজ কুমাৰ বৰঠাকুৰৰ লগতে বহু সমাজ সচেতন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# মুকালমুৱাৰ বৰুৱাপুটাত মাঘী সভাত নাগাৰা নাম পৰিৱেশন

## নাগাৰা নামৰ পাঠক প্ৰাৰ্থপ্ৰতিম তালুকদাৰ আৰু ভবানী বৰ্মনৰ



**শংকৰ দাস, মুকালমুৱা ঃ** হৰিৰ গুণানুকীৰ্তনত মন্ত্ৰমুগ্ধ মুকালমুৱাৰ বৰুৱাপুটাবাসী। গুৰুজনাৰ অমৰ সৃষ্টিৰাজিক জীয়াই ৰাখিবলৈ ৰাইজক সক্ৰিয় হ'বলৈ আহ্বান পাৰ্থপ্ৰতীমৰ। মুকালমুৱাৰ বৰুৱাপুটাত ৭০ বছৰে উদ্‌যাপন মাঘী সভা। নলবাৰী জিলাৰ মুকালমুৱাৰ বৰুৱাপুটা গাঁৱত বিগত ৭০ বছৰে পালন কৰা অহা মাঘী সভা এইবেলিও দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। বৰুৱাপুটা গাঁৱৰ মহাপ্ৰভু জগন্নাথ মন্দিৰত প্ৰতিবছৰে ৩ মাঘত গাঁওবাসীয়ে উদ্‌যাপন কৰি আহিছে মাঘী সভা। এইবেলিও গাঁওবাসীয়ে হোমযোজ্ঞ, নাম প্ৰসংগকে ধৰি বিস্তৃত কাৰ্যসূচীৰে মাঘী সভা উদ্‌যাপন কৰে। শীতৰ প্ৰকোপকে নেওচি সন্ধিয়া নাগাৰা নাম উপভোগ কৰিবলৈ ওলাই আহে অঞ্চলটোৰ সহস্ৰাধিক ধৰ্মপ্ৰাণ ৰাইজ। মহাপ্ৰভু জগন্নাথ মন্দিৰ প্ৰাংগণত সন্ধিয়া নাগাৰা নাম পৰিৱেশন কৰি ৰাইজক ভক্তিৰসৰে বুৰাই পেলায় নাগাৰা নামৰ জনপ্ৰিয় পাঠক পাৰ্থপ্ৰতীম তালুকদাৰ আৰু ভবানী বৰ্মনে। পাঠকদ্বয়ে ইটোৰ পিছত সিটো হৰিনামেৰে প্ৰভুৰ গুণানুকীৰ্তন কৰি ৰাইজক মন্ত্ৰমুগ্ধ কৰি তোলে। নলবাৰীৰ ঘগ্ৰাপাৰৰ পাৰ্থপ্ৰতীম তালুকদাৰে হৰিনামেৰে মাজেৰে শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ অমৰ সৃষ্টিৰাজিক জীয়াই ৰাখিবলৈ হ'লে ৰাইজক সক্ৰিয় হ'বলৈ আহ্বান জনায়। নৱপ্ৰজন্মৰ পাঠকসকলক নামৰ সময়ত বিহু নাচা, পে পে আদি বন্ধ কৰি গুৰুদুজনাৰ দুৰ্লভ সৃষ্টিৰাজিক জীয়াই ৰাখিবলৈ আহ্বান জনায়।

# নগাঁৱৰ চকৰিগাঁৱত শিল্পী দিৱস উদ্‌যাপন

## ৯ গৰাকী ব্যক্তিক অভিনন্দন জ্ঞাপন



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** অসম সাহিত্য সভাৰ অন্যতম অগ্ৰণী শাখা নগাঁৱৰ 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ উদ্যোগত যোৱা ১৭ জানুৱাৰীত চকৰিগাঁওস্থিত শাখাৰ অস্থায়ী কাৰ্যালয়ত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ স্মৃতিত 'শিল্পী দিৱস'টি বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা চাফাই কৰ্মৰ অন্তত পতাকা উত্তোলন কৰে শাখাৰ উপ-সভাপতি কিৰণ কুমাৰ নেওগে। ইয়াৰ পিছতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কাৰ্যসূচী মুকলি কৰে শাখাৰ প্ৰাক্তন সভাপতি থুলেশ্বৰ বৰা আৰু উপ-সভাপতি অজিত কুমাৰ শৰ্মাই। দুপৰীয়া মহান শিল্পীগৰাকীৰ স্মৃতিত শাখাৰ সভাপতি গোলাপ বৰাৰ সভাপতিত্বত অনুষ্ঠিত বক্তৃতানুষ্ঠানত নিৰ্দ্ধিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰা অৱসৰপ্ৰাপ্ত অধ্যক্ষা, লেখিকা ৰিন্টু দাস গোস্বামীয়ে 'শিশু সাহিত্যলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান' শীৰ্ষক বিষয় সম্পৰ্কত বিস্তৃতভাৱে আলোকপাত কৰে। ভাষণ প্ৰসংগত তেওঁ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৰাজিয়ে শিশুৰ মনঃস্তাত্বিক দিশত কেনেদৰে ৰেখাপাত কৰি আহিছে সেই সম্পৰ্কে সাৱলীল ভাষাৰে ব্যাখ্যা কৰে। উক্ত সভাতে কলংপৰীয়া শাখা সাহিত্য সভাৰ অন্তৰ্গত মুঠ ৯ গৰাকী ব্যক্তি ক্ৰমে গোলাপ বৰা, ৰিন্টু দাস, বসন্ত কৌশিক ভাগৱতী, বিপুল চন্দ্ৰ বৰা, ডাঃ বীমা ভট্টাচাৰ্য, জয়ন্ত বৰা, পৰী নেওগ, দ্বীপজ্যোতি বৰা, প্ৰতিভা ভাগৱতীক, তেওঁলোকে বিগত কেইটামান দিনৰ ভিতৰত বিভিন্ন ক্ষেত্ৰত বঁটা, সন্মান, বিশেষ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হোৱা বাবে ফুলাম গামোচা আৰু 'অভিনন্দন পত্ৰ' প্ৰদানেৰে আনুষ্ঠানিকভাৱে অভিনন্দন জনোৱা হয়। সভাত শাখাৰ প্ৰাক্তন সভাপতিদ্বয় কমলাকান্ত বৰা, থুলেশ্বৰ বৰা, খগেন্দ্ৰ নাথৰ উপৰি অভিনন্দন গ্ৰহণ কৰাসকলে বক্তব্য আগবঢ়ায়। শাখাৰ সম্পাদক দীপাংকৰ ভূঞা আৰু যুটীয়া সম্পাদক জয়ন্ত বৰাই সামগ্ৰিকভাৱে আঁত ধৰা অনুষ্ঠানটোত উমাকান্ত কলিতা, ৰমেশ চন্দ্ৰ ভৰালী, বৈজয়ন্তী খাউণ্ড, মাধৱী দাস, তৰামাই বৰা, তুলু হাজৰিকা, ৰুবী বৰা, নয়ন জ্যোতি নেওগ, দিলীপ বৰা, কুসেশ্বৰ বৰা, নিপুল বৰা, কুমাৰ বিভূতি, গুণকান্ত বৰা, দীপজ্যোতি শইকীয়া প্ৰমুখ্যে শাখাৰ বহু সাহিত্যকৰ্মী উপস্থিত থাকে।

# নিজকঠীয়াতলী বিদ্যাজ্যোতি জাতীয় বিদ্যালয়ত দশম শ্ৰেণীৰ বিদায় সভা




**বিশেষ সংবাদদাতা, নগাঁও ঃ** নিজকঠীয়াতলীৰ বিদ্যাজ্যোতি জাতীয় বিদ্যালয়ৰ দশম শ্ৰেণী শিক্ষাৰ্থীসকলক লৈ এখন বিদায় সভা অনুষ্ঠিত কৰা হয়। সভাত সভাপতিত্ব কৰে কঠীয়াতলী প্ৰেছ ক্লাবৰ সভাপতি তথা নগাঁও জিলা সাহিত্য সভাৰ উপদেষ্টা ঘনকান্ত বৰাই। প্ৰধান শিক্ষক আব্দুল আলীয়ে সুন্দৰ ভাৱে আয়োজন কৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত শিক্ষাৰ্থী সকলৰ আৱশুণী গীতৰ দ্বাৰা শুভাৰম্ভ কৰা হয়। দশম শ্ৰেণীৰ শিক্ষাৰ্থী সকলক আগন্তুক শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ কেনেধৰণে প্ৰস্তুত হ'ব লাগিব সেই বিষয়ে আলোচনা আগবঢ়ায়। ভাষণ প্ৰদান কৰে ৰাঙলু গাঁও জ্ঞানদীপ উচ্চ মাধ্যমিকৰ প্ৰধান শিক্ষক আজিজুৰ ৰহমান, ৰাঙলু গাঁও জ্ঞানদীপ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক চাজিদুৰ ৰহমান, সহকাৰী শিক্ষক নুৰ হুছেইন, ড° এ পি জে আব্দুল কালাম একাডেমীৰ প্ৰধান গুলজাৰ হুছেইন, নগাঁও দ্ৰোৰ্ণাচাৰ্য কনিষ্ঠ মহাবিদ্যালয় অধ্যক্ষ চন্দ্ৰকান্ত বৰা, টুবুকী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ইচাহক আলী, পৰিচালনা সমিতিৰ সদস্য আব্দুল বাৰেক, জুমৰমুৰ মিলন বিদ্যাপীঠ হাইস্কুলৰ সহকাৰী শিক্ষক তথা নিজকঠীয়াতলী স্বৰ্ণ শাখা সাহিত্য সভাৰ সম্পাদক শ্যাম জ্যোতি তছা আৰু সাংবাদিক মুক্তিকাম লস্কৰৰ লগতে অভিভাৱক আৰু শতাধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। সভাপতিৰ ভাষণত ঘনকান্ত বৰাই কয় যে ২০১৫ বৰ্ষৰ ৩০ ডিচেম্বৰত কেইগৰাকী মান সচেতন ব্যক্তিৰ উদ্যোগত বিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছিল। তেতিয়াৰ পৰা এতিয়ালৈকে কেইবাগৰাকী শিক্ষাৰ্থীয়ে ভাল ফল দেখুৱাবলৈ সক্ষম হৈছে আৰু এইবাৰো ইয়াৰ ব্যতিক্ৰম নহ'ব বুলি কোৱাৰ লগতে এনে সভালৈ পিতৃ-মাতৃ সকল উপস্থিত থাকিলে সভা ফলপ্ৰসূ হ'ব বুলি উল্লেখ কৰে। সভাত বিদ্যালয়ৰ শতাধিক শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।

# নগাঁও জিলাৰ বঢ়মপুৰ বিধান সভা নিৰ্বাচনত এইবাৰ সংযুক্ত শ্ৰমিক দলে (UPL) তৃতীয় বিকল্প হিচাপে দিয় দিব

## গণতন্ত্ৰ জীয়াই ৰখাৰ স্বাৰ্থত এই সিদ্ধান্ত ঃ বীৰেণ মিৰ্ধা



**বিশেষ সংবাদদাতা, নগাঁও ঃ** এজন অসাধাৰণ ব্যক্তি যাৰ পৰিচয় নামেৰে নহয়। কৰ্মৰ জৰিয়তে ৰাইজৰ মাজত স্থান পোৱা এজন ব্যক্তি নাম বীৰেণ মিৰ্ধা। এসময়ত ছাত্ৰ নেতা হিচাপে চাহ জনজাতি সকলৰ উন্নয়ন আৰু চাহ শ্ৰমিক সকলৰ ন্যায্য প্ৰাপ্তিৰ স্বাৰ্থত চৰকাৰ আৰু সমাজ খনক সদায় ইতিবাচক বাৰ্তা প্ৰেৰণ কৰি অহা বৰ্তমানৰ সংযুক্ত শ্ৰমিক দলৰ ৰাজ্যিক সভাপতি বীৰেণ মিৰ্ধাই এইবাৰ বঢ়মপুৰ বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়াব বুলি জানিব পৰা গৈছে। ইপিনে সামাজিক মাধ্যম যোগেদি তেখেতে কয়- এইবাৰ আমি শ্ৰমিক সকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰাৰ লগতে আহিব লগীয়া দিনসমূহত এখন নিকা চৰকাৰ গঠন কৰাৰ উদ্দেশ্য সংযুক্ত শ্ৰমিক দলটিৰ ফালৰ পৰা এইবাৰ এক ব্যতিক্ৰমী চিন্তাধাৰা হাতত লৈছো। তৃতীয় বিকল্প হিচাপে এইবাৰ বঢ়মপুৰ সমষ্টিৰ পৰা মোক প্ৰাৰ্থী প্ৰদান কৰাৰ বাবে এয়া জাতীয় সত্তাটোৰ বাবে শুভ লক্ষণ বুলি কৈ সমগ্ৰ বঢ়মপুৰ অঞ্চলবাসী ৰাইজক এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে। তদুপৰি পূৰ্বতেও মিৰ্ধাই এবাৰ বিধানসভাত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে কলিয়াবৰৰ পৰা সাংসদ আৰু এ, আই, ইউ, ডি, এফৰ লগত সংযুক্ত হৈ ঢেকীয়াজুলিৰ পৰা বিধানসভাত প্ৰতিদ্বন্দিতা আগবঢ়াইছিল। বিৰেণ মিৰ্ধাৰ লগতে শ্ৰমিক দলটোৰ দ্বাৰা এই পদক্ষেপক সমগ্ৰ অসমৰ আটছাৰ ছাত্ৰ সন্থা আৰু বিভিন্ন জাতীয় দল-সংগঠন সমূহে শলাগ লৈছে।

# লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনৰ অন্তিম ৰজনীত যুৱতী-মহিলাৰ দুৰ্দান্ত অভিনয়



**বিশেষ সংবাদদাতা, শিমলুগুৰি ঃ** লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনৰ লগত সংগতি ৰাখি ৰঙতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৭০ গৰাকী ছাত্ৰীৰ জনগোষ্ঠীয় সমন্বয়মূলক সুন্দৰ নৃত্যৰ উপৰিও দিহানাম, অনান্য গীত নৃত্যৰ লগতে চিত্ৰ শিল্পী যুতি বুঢ়াগোহাঁইৰ প্ৰদৰ্শনী আদি উল্লেখযোগ্য। তদুপৰি অন্তিম ৰজনীত স্থানীয় যুৱতী মহিলাসকলৰ জৰিয়তে যদু গগৈৰ পৰিচালনাত 'বিপ্ৰ দামোদৰ আখ্যান, দন্ত বক্ৰৰ মুক্তি লাভ' নাটৰ ভাওনা প্ৰদৰ্শন কৰে। সকলো উদীয়মান শিল্পীসকলে দুৰ্দান্ত অভিনয় কৰে। ৰাইজে ভূয়সী প্ৰশংসা কৰা পৰিলক্ষিত হৈছে। ভাৱৰীয়া সকল আছিল টুনমনি ভুঞা (শ্ৰীকৃষ্ণ), বিউটি বৰা (নাৰদ), জোৎস্না শইকীয়া হাজৰিকা (ৰুক্মিণী), নিৰ্মালী মুদৈ দুৱৰা (দন্ত বক্ৰ), পূজা কাকতি (শাল্ব), অঞ্জলি দৈমাৰী (সাত্যকী), পিংকী গগৈ (সুশীলা) আদি। অনান্য ভাৱৰীয়াসকল আছিল প্ৰীতি গগৈ, দেৱীতা, ভাগ্যশ্ৰী গোহাঁই, পিঞ্জী দত্ত, নয়নমণি দুৱৰা, পিংকী বৰুৱা, বিদিশা বসুমতাৰী, মাইনী গগৈ, ধ্রুনু চাবুকধৰা আদি।

# কুঁহি অনুষ্ঠান উদ্‌যাপন পহুমৰা শাখা সাহিত্য সভাৰ

**বুলুমণি বৰি, লখিমপুৰ ঃ** জ্ঞান সাগৰ একাডেমী খনাজানত কুঁহি বিকাশ মঞ্চত ১৮ জানুৱাৰী তাৰিখে পহুমৰা শাখা সাহিত্য সভাৰ কুঁহি অনুষ্ঠান অনুষ্ঠিত হয়। উদ্‌যাপন সমিতিৰ সভাপতি উপেন দাসে সঞ্চালনা কৰা অনুষ্ঠানটি শুভ উদ্বোধন কৰে পহুমৰা শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক ড° উমেশচন্দ্ৰ শাস্ত্ৰীয়ে। অনুষ্ঠানত নিদিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে লখিমপুৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি অনিল শইকীয়াই। তেখেতে প্ৰতিজন শিশুক কুঁহিপাতৰ লগত ৰজিতা খোৱাই সাৰুৱা বক্তব্য ডাঙি ধৰে। বিশিষ্ট অতিথি হিচাপে লখিমপুৰ জিলা সাহিত্য সভাৰ সম্পাদক প্ৰবীণ হাজৰিকা জিলা সভাপতি সঞ্জীৱ উপাধ্যায় পহুমৰা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দীপক কুমাৰ বৰদলৈ জিলা সাহিত্য সভাৰ কুঁহি আহ্বায়ক জুলি শইকীয়াই উপস্থিত থাকি ভাষণ প্ৰদান কৰে। ইয়াৰ প্ৰাকমুহূৰ্তত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে পহুমৰা শাখা সাহিত্য সভাৰ সভাপতি পূৰ্ণানন্দ চুতীয়াই। স্মৃতি তৰ্পণ কৰে ৰামপুৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰেৱে গোৱলাই। জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে পহুমৰা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কমল কুমাৰ বৰাই বৃহত্তৰ পহুমৰা অঞ্চলৰ শতাধিক কণ কণ শিশুৱে কবিতা আবৃত্তি ভূপেন্দ্ৰ সংগীত জ্যোতি সংগীত ৰাভা সংগীত জুবিন সংগীত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃত্যই অনুষ্ঠানটি সোণত সুৱগা চৰায়। পহুমৰা শাখা সাহিত্য সভাৰ সভাপতি পূৰ্ণানন্দ চুতীয়া সম্পাদক দ্ৰোণকান্ত হাজৰিকা কুঁহি আহ্বায়ক সীমা বড়া মজুমদাৰ উদ্‌যাপন সমিতিৰ সভাপতি উপেন দাস সম্পাদক বিযেশ্বৰ গগৈ উপ-সভাপতি গৌতম কোঁৱৰ সহঃসম্পাদক প্ৰবীণ বৰুৱা সাংস্কৃতিক সম্পাদক দুলুমণি শইকীয়াৰ নেতৃত্বত আয়োজন হোৱা অনুষ্ঠানভাগ আবেলি ৪ বজাত নিৰ্বাচিত প্ৰতিযোগীসকলক কিতাপৰ টোপোলা আৰু মানপত্ৰ প্ৰদানেৰে সফল সামৰণি পৰে।

# নগাঁৱৰ বঢ়মপুৰত শাৰীৰিকভাৱে অক্ষম এজন যুৱকে দাঙি ধৰিছে স্বাৱলম্বিতাৰ এক নিৰ্দশন




**বিশেষ সংবাদদাতা, নগাঁও ঃ** সাধনা, কষ্ট, একাগ্ৰতা, ধৈৰ্য্য থাকিলে শাৰীৰিকভাৱে অসুষ্ট হ'লেও যেন জীৱন-জীৱিকাৰ পথত আগবাঢ়ি যাব পাৰে তাৰেই এখন বাস্তৱ ছবি দাঙি ধৰিছে। বঢ়মপুৰৰ হাজৰিকা চুকৰ স্থায়ী বাসিন্দা বিভূতি ভূষণ হাজৰিকাই। জানিব পৰা মতে শাৰীৰিকভাৱে অক্ষম যদিও কিছু বৰ্ষৰ পূৰ্বে বহিঃৰাজ্যৰ পৰা প্ৰশিক্ষণ লৈ আহি নিজ গৃহতেই উন্নত মানৰ 'সুগন্ধি' নামেৰে ধূপকাঠি তৈয়াৰী কৰা ক্ষুদ্ৰ উদ্যোগ এটি গঢ় দিয়াৰ লগতে উদ্যোগটিত মমবাতিও তৈয়াৰী কৰি আহিছে। উল্লেখ্য যে বৰুৱাৰ এনে প্ৰচেষ্টাক নগাঁৱৰ এক শ্ৰেণীৰ সচেতন লোকে শলাগ লৈছে। তেখেতৰ আদৰ্শই যে উঠি অহা যুৱ চামটোক অনুপ্ৰেৰণা জন্মাব বুলি আশা প্ৰকাশ কৰিছে। যদিহে কোনো ক্ৰেতাই উদ্যোগটিৰ পৰা ধূপ আৰু মমবাতি পোনপটীয়াকৈ ক্ৰয় অথবা অৰ্ডাৰ ল'ব বিচাৰে তেনেহ'লে ৮৭৫৩৯-০৭১৪০ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি হাজৰিকাই জানিবলৈ দিয়ে।

# লায়ন্স ক্লাৱ নগাঁও চিটীৰ উদ্যোগত খাদ্য সামগ্ৰী বিতৰণৰ কাৰ্যসূচী সফলতাৰে সম্পন্ন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** আন্তৰাষ্ট্ৰীয় গ্লোবেল হাংগাৰ ফ্ৰী চাৰ্ভিছ সপ্তাহ উপলক্ষে লায়ন্স ক্লাৱ নগাঁও চিটীৰ উদ্যোগত অলপতে নগাঁৱৰ গ্ৰাম্য পুথিভঁৰালৰ আশ্ৰমত থকা বৃদ্ধ-বৃদ্ধাসকলক আৰু নগাঁও ৰে'ল ষ্টেচনৰ কাষতে থকা প্ৰায় দুশৰো অধিক দৰিদ্ৰ শ্ৰেণীৰ লোকৰ মাজত শুকান খাদ্য সামগ্ৰীৰ পেকেট সতেজ ফল-মূল বিতৰণ কৰা হয়। উল্লেখ্য যে কাৰ্যসূচীটোৰ আগভাগ লয় নগাঁৱৰ বিশিষ্ট ব্যৱসায়ী সুৰজিৎ সিং সেথিয়ে। তদুপৰি এই কাৰ্যসূচীত লায়ন্স ক্লাৱ চিটীৰ সভানেত্ৰী ভাস্বতী শৰ্মা সম্পাদিকা জয়শ্ৰী কাৰৱাৰ উপস্থিত থকাৰ উপৰিও কেইবাগৰাকী সদস্য ক্ৰমে-পূজা কাৰুৱা, কবিতা ছেটীয়া,মাৰুত কাৰুৱা আৰু সাৰংগ খাটোৱালাকে আদি কৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকি বহু সহায়-সহযোগিতা আগবঢ়ায়।

# দুলুমণি দেৱীৰ 'অগ্নিস্নাতা' নাটক সম্পৰ্কত অনুভৱ

■ **সনাতন চেতিয়া,** মাকুম

**দূ**ৰদৰ্শনৰ পৰ্দাত অভিনয় কৰিবলৈ সুযোগ পোৱা এখন নাটক 'অগ্নিস্নাতা' নাটকখনৰ চৰিত্ৰবিলাকৰ বেচিভাগেই নাৰীৰ ওপৰত যদিও দুটামান পুৰুষ চৰিত্ৰও তাত আছিল। নাটকখনৰ চৰিত্ৰসমূহৰ বলিষ্ঠ অভিনয় আৰু শক্তিশালী সংলাপৰ বাবে নাটকখনে দৰ্শকৰ মনত গভীৰ সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। বিশেষকৈ দূৰদৰ্শনৰ দৰে এক বৃহৎ মঞ্চৰ জৰিয়তে এনে এখন চিন্তাদ্দীপক নাটক প্ৰচাৰ হোৱাটো অসমীয়া নাট্য জগতৰ বাবে এক ইতিবাচক দিশ। সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোকে এই নাটকখনৰ পৰা এটা শিক্ষা লাভ কৰিব পাৰে-নাৰীৰ অধিকাৰ নাৰীৰ কৰ্তব্য আৰু নাৰীৰ সুৰক্ষা সম্পৰ্কে নাটকখনত স্পষ্টকৈ প্ৰতিফলিত হৈছে। নাটক চাই সৰু ল'ৰা-ছোৱালীয়ে ভাল পাই লগতে ডাঙৰেও উপভোগ কৰে। নাটক কৰি ভাল পোৱা লগতে চাইয়ো যথেষ্ট ভাল লাগে, নাটকখন সমাজৰ সকলো স্তৰলৈকে গলে দুলুমণি দেৱীৰ কষ্ট সাৰ্থক হ'ব লগতে নতুন নতুন নাটক উপহাৰ দিব পাৰিব বুলি ভাবো।

**ম'বাইল ঃ** ৬০০৩৪-৯১৮২৩

# উৰিয়াগাঁৱত সুন্দৰমৰ প্ৰতিষ্ঠা দিৱস আৰু শিল্পী দিৱস উদ্‌যাপন




**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাওঁ জিলাৰ উৰিয়াগাঁৱৰ সুন্দৰম নাট্য গোষ্ঠীৰ ৪৪ সংখ্যক প্ৰতিষ্ঠা দিৱসটি যোৱা ১৭ জানুৱাৰীত উৰিয়াগাঁৱৰ সুন্দৰম নাট্য গোষ্ঠীৰ প্ৰেক্ষাগৃহত উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা পতাকা উত্তোলন কৰে সুন্দৰম নাট্য গোষ্ঠীৰ সভাপতি দেৱানন্দ গোস্বামীয়ে। প্ৰতিষ্ঠা দিৱসৰ সমান্তৰালভাৱে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ ৭৬ সংখ্যক শিল্পী দিৱসটি পালন কৰা হয়। কাৰ্যসূচী অনুসৰি শিল্পী জ্যোতিপ্ৰসাদৰ প্ৰতিচ্ছবিত স্মৃতি তৰ্পণ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সুন্দৰম নাট্য গোষ্ঠীৰ প্ৰাক্তন সভাপতি কমলাকান্ত বৰাই। সুন্দৰম নাট্যগোষ্ঠীৰ সাধাৰণ সম্পাদক কমলেশ শইকীয়াই আঁত ধৰা অনুষ্ঠানটোত অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা গোষ্ঠীৰ প্ৰতিষ্ঠাপক সভাপতি সত্যপ্ৰসাদ শৰ্মা, প্ৰাক্তন সভাপতি তথা অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক পুতুল শৰ্মাই সুন্দৰম নাট্য গোষ্ঠীৰ ইতিহাস সামৰি ভাষণ প্ৰদান কৰাৰ লগতে গোষ্ঠীটোৰ উত্তৰোত্তৰ কামনা কৰে। ইয়াৰ পিছতে সুন্দৰমৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। সভাত সুন্দৰম নাট্যগোষ্ঠীৰ সামগ্ৰিক উত্তৰণৰ ক্ষেত্ৰত বিভিন্ন দিশ সামৰি বিশদভাৱে আলোচনা কৰাৰ লগতে সভাত অঞ্চলটোৰ যুৱ প্ৰজন্মক ইয়াৰ লগত সক্ৰিয়ভাৱে জড়িত কৰি আগন্তুক দিনত নাট্যানুষ্ঠানটোৰ সাংগঠনিক দিশ শক্তিশালী ৰূপে গঢ়ি তোলাৰ পোষকতা কৰা হয়। সভাত গোষ্ঠীটোৰ পুৰণি সমিতিখন ভংগ কৰি পৰৱৰ্তী দুবছৰীয়া কাৰ্যকালৰ বাবে সৰ্বসন্মতিক্ৰমে অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক গুণ শইকীয়া, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কমলাকান্ত বৰা, জ্যেষ্ঠ সাংবাদিক প্ৰকাশ মহন্ত, শিল্পী তথা লেখক গোলাপ বৰাক উপদেষ্টা, পিতাম্বৰ শইকীয়াক সভাপতি, প্ৰফুল্ল হাজৰিকা, পদুম বৰুৱাক উপ-সভাপতি, কমলেশ শইকীয়াক সম্পাদক, জিতুমনি বৰা, জয়ন্ত বৰাক সহঃ সম্পাদক হিচাপে লৈ সুন্দৰমৰ নতুন সমিতিখন গঠন কৰা হয়। সভাত নাট্যকৰ্মী দিলীপ কুমাৰ বৰা, চন্দ্ৰ হাজৰিকা, প্ৰফুল্ল হাজৰিকা, যুগল শইকীয়া, চিদানন্দ দেৱ গোস্বামী, ফণীন্দ্ৰ শৰ্মা, জয়ন্ত গোস্বামী, ৰাজেন ফুকন, প্ৰাঞ্জল হাজৰিকা, মানিক বৰা, ৰানা বৰা, নিপুল বৰা, ভাৰ্গৱ শইকীয়া আদি উপস্থিত থাকে। সন্ধ্যা ৪৪ গছি বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে শিল্পী তথা লেখক গোলাপ বৰাই।

## শিল্পী দিৱসত লোকশিল্পী গোলাপ বৰাক সম্বৰ্দ্ধনা

# ৰূপকোঁৱৰৰ পূৰ্ণাংগ মূৰ্তি শীঘ্ৰে প্ৰতিষ্ঠা কৰিব বুলি ঘোষণা কৰে বিধায়ক ৰূপক শৰ্মাৰ



**নগাঁও ঃ** ৰূপকোঁৱৰৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিত আয়োজিত ১৭ জানুৱাৰীৰ শিল্পী দিৱসৰ উপলক্ষে নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত আৰু সদৌ নগাঁও ভোগালী বিহু উৎসৱ সমিতি, নগাঁও মাৰোৱাৰী সন্মিলন আৰু নগাঁও সংগীত শিল্পী মঞ্চৰ সহযোগত নগাঁও জিলাৰ বিশিষ্ট লোক শিল্পী, সাহিত্যিক গোলাপ বৰাক সম্বৰ্ধনা জনোৱা হয়। জিলা সাহিত্য সভা আৰু ভোগালী বিহু উৎসৱ সমিতিৰ হৈ সম্বৰ্ধনা জ্ঞাপন কৰে সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীৰ লগতে বিধায়ক ৰূপক শৰ্মাই। সংগঠনসমূহে প্ৰশংসা পত্ৰৰ লগতে জাপি, চেলং আৰু নগদ ধন পাঁচ হেজাৰ টকাৰে লোকশিল্পী বৰাক সন্মান জনায়। ইয়াৰ আগতে নগাঁও চহৰৰ ৰূপকোঁৱৰ চ'কত থকা পুৰা ৰূপকোঁৱৰৰ আৱক্ষ মূৰ্তিত বন্তি প্ৰজ্বলন আৰু পুস্পাঞ্জলি অৰ্পণৰে শিল্পী দিৱসৰ কাৰ্যসূচী মুকলি কৰে নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড°শৰৎ বৰকটকী আৰু নগাঁও-বটদ্ৰবা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। জিলা সাহিত্য সভাৰ সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকাই আঁত ধৰা এই কাৰ্যসূচীত নগাঁও মাৰোৱাৰী সন্মিলনৰ সভাপতি প্ৰমোদ কোঠাৰী, প্ৰাক্তন সভাপতি যুগল কিশোৰ আগৰৱালা, মানিক চান্দ নাহাটা, ললিত কোঠাৰী, পৱন গাৰোদিয়া, বিশিষ্ট সমাজকৰ্মী সীতাৰাম আগৰৱালা, মহেশ আগৰৱালা, ৰূপকোঁৱৰ চ'ক ব্যৱসায়ী সন্থাৰ সভাপতি মনজিত সিং গান্ধীয়ে ভাগ লয়। শিল্পী বৰাই সম্বৰ্ধনা গ্ৰহণ কৰি ৰূপকোঁৱৰৰ কেইবাটাও গীত গাই আৰু ৰূপকোঁৱৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। এই অনুষ্ঠানত নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি উপেন চন্দ্ৰ বৰা, নগাঁও পৌৰ সভাৰ পৌৰপতি অম্বিকা মজুমদাৰ, উপ-পৌৰপতি সীমান্ত বৰা, সদৌ নগাঁও ভোগালী বিহু উৎসৱ সমিতিৰ সম্পাদকদ্বয় জয়ন্ত বৰা, ৰঞ্জিত বৰা, সংগীত শিল্পী মঞ্চৰ সভাপতি পংকজ বেজবৰুৱা, নগাঁও জিলা কবি সন্মিলনৰ প্ৰাক্তন সভাপতি দ্বীজেন্দ্ৰ নাথ হাজৰিকা, নগাঁও মাৰোৱাৰী যুৱ মঞ্চ, নগাঁও মাৰোৱাৰী মহিলা সন্মিলনৰ বিষয়ববীয়াসকল। অনুষ্ঠানত জিলা সাহিত্য সভাৰ প্ৰকাশন উপ-সমিতিৰ আহ্বায়ক মহেশ চন্দ্ৰ নাথে এটি কবিতা আবৃত্তি কৰে। অনুষ্ঠানটোত সহযোগিতা আগবঢ়াই প্ৰদীপ আগৰৱালাই। বিধায়ক শৰ্মাই সেই ঠাই ৰূপকোঁৱৰৰ পূৰ্ণাংগ মূৰ্তি শীঘ্ৰে প্ৰতিষ্ঠা কৰিব বুলি ঘোষণা কৰে। একেদিনাই দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জিলা সাহিত্য সভাই দক্ষিণপাট শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত আৰু দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত শিল্পী দিৱস উপলক্ষে এখন মুকলি সভা আয়োজন কৰে। চিৰ চেনেহী মোৰ ভাষা জননী গীত পৰিৱেশনৰে আৰম্ভ হোৱা সভাত সাহিত্যিক ৰতি মোহন নাথে সভাপতিত্ব কৰে। সভাত জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি থগিত মহন্তই মুখ্য বক্তা হিচাপে 'জ্যোতিপ্ৰসাদ আগৰৱালাৰ দেশাত্মবোধ আৰু সাম্প্ৰতিক সময়' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। বিশিষ্ট অতিথি হিচাপে নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক প্ৰফুল্ল চন্দ্ৰ বৰাই ভাষণ প্ৰদান কৰে। জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক মৃগাঙ্ক বৰা, প্ৰকাশন উপ-সমিতিৰ আহ্বায়ক মহেশ চন্দ্ৰ নাথে অংশগ্ৰহণ কৰা সভাত বিশিষ্ট অভিনেতা পুষ্প বৰা, প্ৰদীপ বৰা আৰু সংগীত শিল্পী অপূৰ্ব কাকতিক সম্বৰ্ধনা জনোৱা লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হোৱা চিত্ৰাঙ্কণ প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। চিত্ৰাঙ্কণ প্ৰতিযোগিতা মুকলি কৰে দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ অনিতা লস্কৰে। জিলা সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকাই শিল্পী দিৱসৰ তাৎপৰ্য বাখ্যা কৰা সভাখনৰ আদৰণি কাৰ্যসূচীৰ আঁত ধৰে জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক লৱকান্ত শৰ্মাই।

# শিল্পী দিৱস উদ্‌যাপন লগতে ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা অনুষ্ঠান



**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি ঃ**

তই কৰিব লাগিব অগ্নিস্নান
সাজু হ সাজু হ নৱ জোৱান।

শুৱালকুছি নটৰাজ কলাকেন্দ্ৰ উদ্যোগত আৰু ৰাইভি ইন্টাৰনেচনেল সংস্থাৰ সহযোগত শিল্পী দিৱস উদ্‌যাপনৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়।

গীতাঞ্জলী শুৱালকুছিৰ এগৰাকী কৰ্মদক্ষতাৰে পৰিপূৰ্ণ শিল্পী। তেখেতৰ তত্ত্বাৱধানত নটৰাজ কলাকেন্দ্ৰ এটি নৃত্য-গীতৰ শিক্ষানুষ্ঠান কণ কণ ল'ৰা-ছোৱালীৰ পৰা যুৱকলৈ (প্ৰশিক্ষণ) শিকাই আছে। বহুতো শিল্পী ইতিমধ্যে প্ৰতিষ্ঠিত হৈছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ স্মৃতিত ১৭ জানুৱাৰী ২০২৬ চনত অসমৰ বিভিন্ন ঠাইত শিল্পী দিৱস পালন কৰাৰ লগতে গীতাঞ্জলীয়ে সংস্থাটোৰ সহযোগত তেখেতৰ বিদ্যালয়ৰ প্ৰাংগণত শিল্পী দিৱসৰ অনুষ্ঠান অনুষ্ঠিত কৰে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু ৰূপ কোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা দেৱক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে খুব সুন্দৰ নৃত্য-গীত পৰিৱেশন কৰিলে। তেখেতৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীতৰ লগতে পঢ়াশুনাও সমানে আগবঢ়াই নিবলৈ সক্ষম হৈছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাৰদৰ্শিতা লাভ কৰা শিক্ষাৰ্থীসকলক ফুলাম গামোচা, মানপত্ৰ আৰু কলমেৰে সম্বৰ্দ্ধনা জনাইছে।

# ভোগালীত দুখীয়াৰ আৰ্তনাদ

■ **সমুজ্বল ডেকা,** ৰঙিয়া

**অ**নেক হেঁপাহ বুকুত লৈ শিশুটিয়ে উৰুকাৰ দিনা ৰাতিপুৱা শুই উঠি মাক-দেউতাকক জঁপিয়াই জঁপিয়াই আনন্দেৰে ক'লে - মা-দেউতা, 'তোমালোকে আজি কিহৰ মাংস আনি বনাবা।' তেতিয়া দেউতাকে ক'লে - সোণ, 'আজি আমাৰ ঘৰত মাংস খাবলৈ মোৰ হাতত পইচা নাই।' শিশুটিয়ে উওৰ দিলে, 'কিয় দেউতা?'... দেউতাকে কিছুসময় মৌন হৈ শোক প্ৰকাশ কৰি ক'লে - 'কাৰণ, আমি দুখীয়া যে।'

**ম'বাইল ঃ** ৭৫৭৮৮-৮০৯৩৩

# পুৰতি সাহিত্য সভা, বোকাখাত আৰু বোকাখাত নাট্যমন্দিৰৰ যৌথ উদ্যোগত শিল্পী দিবস উদ্‌যাপন



**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** পুৰতি সাহিত্য সভা, বোকাখাত, আৰু বোকাখাত নাট্যমন্দিৰৰ যৌথ উদ্যোগত, সন্ধানী লেখিকা সমাৰোহ সমিতি, বোকাখাত, বোকাখাত জিলা মইনা পাৰিজাত, সাংস্কৃতিক মহাসভা অসম বোকাখাত শাখা, অসম নেপালী সাহিত্য সভা, বোকাখাত, মিচিং সাহিত্য সভা, বোকাখাত, চাহ জনগোষ্ঠী সাহিত্য সভা, বোকাখাত, গোৰ্খা সন্মিলন, পশ্চিম গোলাঘাট জিলা সমিতি, বোকাখাত, ফেচেংবৰ হেৰিটেজ, অখিল ভাৰতীয় মহিলা সমিতি , বোকাখাত আদি বিভিন্ন জাতীয় সংগঠনৰ সহযোগত শিল্পী দিৱস উদ্‌যাপন কৰা হয়। পুৱা ৯.৩০বজাত বোকাখাত নাট্যমন্দিৰত প্ৰাঙ্গণত দুয়োটা মূল অনুষ্ঠানৰ লগতে সহযোগী সংগঠনৰ সভাপতি সম্পাদক আৰু বিষয়ববীয়াসকলে বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰ পিছতে পুৰতি সাহিত্য সভা ভৱনত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ প্ৰতিমূৰ্তিৰ লগতে বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে বোকাখাত নাট্যমন্দিৰৰ সভাপতি দিলীপ শইকীয়াদেৱে আৰু পুৰতি সাহিত্য সভাৰ সভাপতি গোপিকানন্দ শইকীয়াদেৱে। বন্তি প্ৰজ্বলন কৰে সহযোগী সংগঠন সন্ধানী লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী অনুৰাধা বৰদলৈ, বোকাখাত জিলা মইনা পাৰিজাতৰ উপ-সভাপতি অঞ্জনা গগৈ, সাংস্কৃতিক মহাসভা অসম, বোকাখাত আঞ্চলিকৰ সভাপতি মনোৰঞ্জন সেন, অসম নেপালী সাহিত্য সভাৰ সভাপতি কৃষ্ণ শৰ্মা, মিচিং সাহিত্য সভা বোকাখাতৰ উপ-সভাপতি বিমল দলে, চাহ জনগোষ্ঠী সাহিত্য সভা বোকাখাতৰ ৰাজূ ৰাজোৱাৰ, অসম গোৰ্খা সন্মিলন পশ্চিমে গোলাঘাট জিলা সমিতি বোকাখাতৰ সভাপতি ৰাজু বাহাদুৰ ছেত্ৰী, ফেচেংবৰ হেৰিটেজৰ সভাপতি ৰাজীৱ বৰা, বিকুল শইকীয়া আদিয়ে বন্তিপ্ৰজ্বলন কৰে। অসম নেপালী সাহিত্য সভাৰ প্ৰধান সম্পাদক তিলক শৰ্মা, বোকাখাত অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱা, পুৰতি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অপূৰ্ব বৰদলৈ, বোকাখাত জিলা মইনা পাৰিজাতৰ উপদেষ্টা সুৰেন্দ্ৰ নাথ গগৈ, সন্ধানী লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভানেত্ৰী কল্পনা চেতিয়া আৰু চন্দ্ৰপ্ৰভা শইকীয়া ডেকা, বোকাখাত জিলা মইনা পাৰিজাতৰ কাৰ্যকৰী সভানেত্ৰী ডালিমী সন্দিকৈ গগৈ, ড° বাবুলাল মোৰ আদিয়ে স্মৃতি তৰ্পণ কৰে। শিল্পী দিৱস উপলক্ষে আয়োজিত ৰচনা প্ৰতিযোগিতাৰ ক শাখাত প্ৰথম স্থান লাভ কৰে বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ নয়নতৰা দলে, দ্বিতীয় স্থান লাভ কৰে বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ মমিতা পেগু, তৃতীয় বোকাখাত জাতীয় বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ নম্ৰতা বৰা, উদ্‌গনি বঁটা লাভ কৰে জাতীয় বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ নিশিগন্ধা নিৰিবিলি গগৈ আৰু বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চন্দ্ৰিকা কটকী। খ শাখাত প্ৰথম চি এনে বি ছিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ দ্বাদশ শ্ৰেণীৰ বিপ্লৱ পেগু, দ্বিতীয় যুটিয়াভাৱে নৱম শ্ৰেণীৰ খ্ৰীষ্ট জ্যোতি হাইস্কুলৰ অগ্নিভনীল বৰা আৰু শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ উদ্দীপনা দাস। তৃতীয় ডিফলু পথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ পলী শইকীয়া, উদ্‌গনি বঁটা বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ জয়শ্ৰী দেৱীয়ে। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ বিষয়ে বক্তৃতা প্ৰতিযোগিতাত ক শাখাৰ - ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ বিচাৰকৰ বিশেষ বঁটা লাভ কৰে জাপৰি পথাৰ মধ্য ইংৰাজী বিদ্যালয়ৰ সৌৰভ জ্যোতি বৰা, খ শাখা নৱমৰ পৰা দ্বাদশ শ্ৰেণীলৈ প্ৰথম জীয়া গড়, দ্বিতীয় আনচা চুলতানা। সংলাপ প্ৰতিযোগিতা ক শাখা নৱম শ্ৰেণীৰ পৰা স্নাতক পৰ্যায়লৈ উদ্‌গনি বঁটা লাভ কৰে আনিছা চুলতানা, খ শাখা মুকলি প্ৰথম উদেষ্ণা দেৱী, দ্বিতীয় ডালিমী সন্দিকৈ গগৈ আৰু চন্দ্ৰপ্ৰভা ডেকা শইকীয়া, তৃতীয় জুলী শইকীয়া, জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতাৰ ক শাখাত প্ৰথম দেৱাঞ্চী দিত্যা শইকীয়া, বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়, দ্বিতীয় শ্ৰেয়াদিতা ফুকন, বোকাখাত জাতীয় বিদ্যালয়, তৃতীয় নিশিতা বৰা বোকাখাত জাতীয় বিদ্যালয় আৰু অংকিতা দিহিঙ্গীয়া ডিফলুপথাৰ প্ৰথমিক বিদ্যালয় খ শাখাত প্ৰথম ময়ুৰী বড়ি খ্ৰীষ্ট জ্যোতি হাইস্কুল, দ্বিতীয় সৌৰভ জ্যোতি বৰা, জাপৰি পথাৰ মধ্য ইংৰাজী বিদ্যালয়,তৃতীয় ৰিমঝিম বৰা খ্ৰীষ্টজ্যোতি হাইস্কুল আৰু অন্যন্যা বৰা বোকাখাত জাতীয় বিদ্যালয়।

# উৰিয়া গাঁৱত বৰ্ণাঢ্য কাৰ্যসূচীৰে ভোগালী উৎসৱ উদ্‌যাপন




**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ উৰিয়া গাঁও আঞ্চলিক উন্নয়ন সমিতিৰ উদ্যোগত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ উৰিয়া গাঁও আঞ্চলিক সমিতি, উৰিয়া গাঁও ক্ষুদ্ৰ ব্যৱসায়ী সন্থা আৰু উৰিয়া গাঁও আঞ্চলিক মহিলা সমিতিৰ সহযোগত ১৩,১৪ আৰু ১৫ জানুৱাৰীত তিনিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে নৱম বাৰ্ষিক ভোগালী উৎসৱ অনুষ্ঠিত হৈ যায়। নগাঁও বাইপাছ চকৰ সমীপৰ উৰিয়া গাঁও খেলপথাৰত আয়োজন কৰা ভোগালী উৎসৱৰ প্ৰথমদিনা সন্ধ্যা ভেলাঘৰত নাম কীৰ্তন আৰু নিশা আয়োজন কৰা হয় উৰুকাৰ ভোজভাত। ১৪ জানুৱাৰীত পুৱা মেজি প্ৰজ্বলন আৰু অগ্নিসেৱাৰ অন্তত বিহুৰ পতাকা উত্তোলন কৰে সমাজকৰ্মী হলি শইকীয়াই। স্মৃতি তৰ্পণ কৰে সমাজকৰ্মী মলোৰাম শইকীয়াই। অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সমাজকৰ্মী ভোলা বৰাই। ইয়াৰ পিছতেই সমাজকৰ্মী অতুল ফুকনে মেজি প্ৰজ্বলন কৰাৰ অন্তত জাতীয় পৰম্পৰাৰে বয়োজ্যেষ্ঠজনক সেৱা আৰু আৰ্শীবাদ গ্ৰহণ আৰু বিহুৰ সমূহীয়া জলপান গ্ৰহণ,বিভিন্ন পৰম্পৰাগত খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। দুপৰীয়া বঁটা বিতৰণী আৰু ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত সমাজকৰ্মী সোমেশ্বৰ বৰা, অতুল বৰাক ফুলাম গামোছা, চেলেং, শৰাই আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাতেই ভোগালী উৎসৱত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাৰ স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। অনুষ্ঠানটোত উৰিয়া গাঁও আঞ্চলিক উন্নয়ন সমিতিৰ সভাপতি প্ৰাগজ্যোতিষ বনিয়া, সাধাৰণ সম্পাদক প্ৰবোধ কুমাৰ বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক নাৰায়ণ চন্দ্ৰ বনিয়া, শোনিধৰ বৰা, উৰিয়া গাঁও ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ সভাপতি প্ৰভাত বৰা, সম্পাদক ৰূপৰাম হাজৰিকা, উদ্‌যাপন সমিতিৰ সভাপতি দুলাল বৰা, যুটীয়া সম্পাদক মুকুট হাজৰিকা, উৰিয়া গাঁও আঞ্চলিক মহিলা সমিতিৰ সভানেত্ৰী সোমা বৰা, সম্পাদিকা বিদিশা হাজৰিকা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ উৰিয়া গাঁও আঞ্চলিক সমিতিৰ সভাপতি নমিতা বৰা, সাধাৰণ সম্পাদক শুভজিৎ গগৈ প্ৰমুখ্যে বহু লোক উপস্থিত আছিল। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা সমূহীয়া 'ন-খোৱা' পৰ্বত যথেষ্ট সংখ্যক লোকে অংশগ্ৰহণ কৰে।

# নগাঁৱৰ হালোৱাগাঁৱত শিল্পী দিৱস উদ্‌যাপন

## কণ কণ মইনাৰ গীত-মাত, নৃত্য, শিশুনাট প্ৰদৰ্শনেৰে সন্মোহিত কৰিলে পাঁচ শতাধিক দৰ্শকক



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁৱৰ হালোৱাগাঁৱত ময়ূৰপঙ্খী মইনা পাৰিজাতৰ ব্যৱস্থাপনাত আৰু নগাঁও জিলা মইনা পাৰিজাতৰ সহযোগত যোৱা ১৭ জানুৱাৰীত শিল্পী দিৱসটি উদ্‌যাপন কৰা হয়। হালোৱাগাঁও সমাজ কল্যাণ কেন্দ্ৰৰ মুকলি খেলপথাৰত বিয়লি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে কাৰ্যসূচী মুকলি কৰে অৱসৰপ্ৰাপ্ত শিক্ষক, প্ৰবীণ অভিনেতা তৰুণ চন্দ্ৰ বৰাই। ইয়াৰ পিছতে শিল্পী দিৱসৰ আনুষ্ঠানিক কাৰ্যসূচী উদ্বোধন কৰে জলসম্পদ বিভাগৰ নগাঁও চক্ৰৰ অধীক্ষক অভিযন্তা সিদ্ধাৰ্থ শৰ্মাই। অনুষ্ঠানত ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ সুগায়িকা কংকনা কৌশিক আৰু নগাঁও জিলা মইনা পাৰিজাতৰ সম্পাদক শৰৎ চন্দ্ৰ মহন্তই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। পাঁচ শতাধিক দৰ্শকৰ উপস্থিতিত কণ কণ শিশুসকলৰ উপৰি কেইবাগৰাকী শিল্পীয়ে গীত-মাত-নৃত্য প্ৰদৰ্শন, কবিতা আবৃত্তি, জিকিৰ-জাৰি পৰিৱেশন, শিশুনাট 'সংকল্প' প্ৰদৰ্শনেৰে মুখৰিত কৰি তোলা এই অনুষ্ঠানত নগাঁও জিলা মইনা পাৰিজাতৰ সহঃসম্পাদিকা ছায়া দেৱী, সাংবাদিক ক্ৰমে যতীন্দ্ৰ কুমাৰ শইকীয়া, জয়ন্ত বৰা, নিপুল বৰা, বৰুণ জ্যোতি নেওগ প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তিক আদৰণি জনোৱা হয়। অনুষ্ঠানটোৰ আঁত ধৰে শিক্ষক জয়ন্ত বৰাই। উল্লেখ্য যে, কেইবা দশক পূৰ্বে গঠন কৰা ময়ূৰপঙ্খী মইনা পাৰিজাত নামৰ এই অনুষ্ঠানটি সুদীৰ্ঘ কাল প্ৰায় নিষ্ক্ৰিয় হৈ থকাৰ অন্তত যোৱা ২০২৫ বৰ্ষৰ ৩০ মে'ত পুষ্পাঞ্জলি শইকীয়া বৰাক সভানেত্ৰী আৰু পৰাগ ৰাজখোৱাক সম্পাদক হিচাপে লৈ গঠিত সমিতিখনে শেহতীয়াকৈ সক্ৰিয় ভাৱে কাম-কাজ পৰিচালনা কৰি আহিছে বুলি জানিব পৰা গৈছে।

# বঢ়মপুৰৰ শংকৰদেৱ শিশু নিকেতনত শিল্পী দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁৱৰ বঢ়মপুৰস্থিত শংকৰদেৱ শিশু নিকেতনত যোৱা ১৭ জানুৱাৰীত শিল্পী দিৱসটি বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰে। পুৱা ভাগত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুস্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধা জ্ঞাপন কৰা হয়। ইয়াৰ পিছতে শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীসকলে কবিতা আবৃত্তি, জ্যোতি সংগীত পৰিৱেশন, জ্যোতি সংগীতৰ তালে তালে নৃত্য প্ৰদৰ্শনৰ লগতে জ্যোতি প্ৰসাদ আগৰৱালা সম্পৰ্কত ছাত্ৰ-ছাত্ৰীসকলে ভাষণ প্ৰদান কৰে। শিক্ষানুষ্ঠানখনৰ প্ৰধান আচাৰ্যা বিউটি নেওগৰ লগতে মাধৱ বৰুৱা, দিপালী শইকীয়া, শংকৰদেৱ শিশু নিকেতনৰ পৰিচালনা সমিতিৰ সভাপতি কমল শইকীয়া আদি অনুষ্ঠানত উপস্থিত থাকি বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ আঁত ধৰে শিক্ষক মাধৱ বৰুৱাই। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ এটি পৰিৱেশনৰে অনুষ্ঠানটি শুভাৰম্ভ কৰে শংকৰদেৱ শিশু নিকেতনৰ শিক্ষয়িত্ৰী দিপালী শইকীয়াই।

# শক্তিৰ আধাৰ সেন্দুৰ

■ **ডলী ফুকন**
লখিমপুৰ, অসম

সেন্দুৰ নাৰীৰ অন্তৰ্নিহিত শক্তি, আধ্যাত্মিকতা আৰু ঐশ্বৰিক সংযোগৰ মূল ভেটি হিচাপে গণ্য কৰা যায়।

সেন্দুৰক আদ্যশক্তিৰ এক অংশ হিচাপে গণ্য কৰা হয়, ই বিবাহিত নাৰীৰ শক্তি, সৌন্দৰ্য আৰু সমৃদ্ধিৰ প্ৰতীক। সেন্দূৰ মচি পেলোৱাটো এগৰাকী নাৰীৰ বিধৱা হোৱাৰ চিহ্ন হিচাপে বিবেচিত হয়, যাৰ সৈতে সামাজিক দৃষ্টিভংগী জড়িত থাকে। এগৰাকী নাৰীৰ ঈশ্বৰ প্ৰদত্ত এই সেন্দুৰ। সেন্দুৰ পৰিধান কৰা আৰু নকৰাক লৈ নাৰীবাদী সকলৰ মাজত আলোচনা, তৰ্ক-বিতৰ্ক চলি আছে আভ্যন্তৰীণভাৱে।

প্ৰতিটো জীৱৰ দৰেই নাৰীৰ স্বকীয় বৈশিষ্ট্য আছে। সকলো জীৱৰে কিছুমান সৰলতা, কিছুমান দুৰ্বলতা থকা পৰিলক্ষিত হয়।

সমাজত নাৰীয়েই হয়তো বহু সময়ত অন্যায় অবিচাৰৰ বলি বেচিকৈ হৈছে। কিন্তু নাৰীয়ে নিজৰ ভিতৰত থকা অপৰিসীম শক্তিখিনিক অনুভৱ কৰি আৰু তাৰ সদ প্ৰয়োগ কৰি নিজক সেই অন্যায় অবিচাৰ নিপীড়নৰ বলিশালৰ পৰা মুকলি কৰিব পাৰিব বুলিও সম্পূৰ্ণ বিশ্বাস আছে। তাৰবাবেই প্ৰতিগৰাকী নাৰীয়ে আত্ম বিশ্লেষণ আৰু আত্মবিপ্লৱৰ সূচনা কৰিব লাগে। কেৱল প্ৰতিবাদ বা ৰাজপথত ওলাই আহিলেই বলিশালৰ পৰা মুকলি হ'ব এনে ধাৰণা ভুল।

**স্বামীৰ অবৰ্তমানত সেন্দুৰ পৰিধান ঃ পৰ্যালোচনা**

নিয়ম মানুহে গঢ়ে মানুহেই ভাঙে


বিশ্লেষণ

এগৰাকী পত্নী ইহ সংসাৰৰ পৰা বিদায় লোৱাৰ পিছত স্বামী এজনৰ কোনো পৰিৱৰ্তন আমাৰ চকুত নপৰে। অন্যহাতে যেতিয়া এজন স্বামীৰ মৃত্যু হয় সেই মৃত্যুয়ে এগৰাকী পত্নীৰ জীৱনৰ ৰংবোৰে নোহোৱা কৰি পেলায়, এদিন প্ৰিয় মানুহজনে পিন্ধাই থৈ যোৱা এই সেন্দুৰক মোহাৰিও প্ৰমাণ কৰিব লগা হয় যে তেওঁ এতিয়া বিধৱা, তেওঁ নিসংগ অকলশৰীয়া। কিন্তু কিয় ? যি গৰাকী নাৰীক স্বামীৰ উপস্থিতিত তেওঁৰ প্ৰিয় মানুহজনে বগা সাজত চাব নোৱাৰে অথচ তেওঁৰ মৃত্যুৰ পিছত বগা কাপোৰ সাজত সমাজে চাব বিচাৰে, কিয় ? নাৰীক দুৰ্বল আৰু অসহায় বুলি অনুভৱ কৰাবলৈ কিয় বাধ্য কৰোৱা হয় তেওঁৰ অনিইচ্ছা স্বত্বেও নাৰীক স্বামীৰ মৃত্যুৰ পিছত, এই শক্তিৰ আধাৰ সেন্দুৰ কন মুচি দিবলৈ তেওঁ যে নাই প্ৰতিপলে অনুভৱ কৰাবলৈ...।

এগৰাকী নাৰীৰ শক্তিৰ আধাৰ এই সেন্দুৰ, তেওঁৰ প্ৰিয় মানুহজন কায়িকভাৱে নাই যদিও তেওঁ আছে প্ৰতিটো খোজত, সেন্দূৰৰ ঐশ্বৰিক শক্তিত লুকাই আছে প্ৰতি স্বামীৰ প্ৰতি থকা অগাধ মৰম, আদৰ, শ্ৰদ্ধা, তেওঁৰ শিৰত জিলিকি থাকিবলৈ দিয়ক এইকন মাথোঁ ৰঙা সেন্দুৰ।

এই সেন্দুৰকনে স্বামী এজনৰ উপস্থিতিক সদায় অনুভৱ কৰাব, যেতিয়া আইনাৰ আগত তেওঁ মুখখন চাব নিজৰ শক্তিক অনুভৱ কৰাব, যেতিয়া এগৰাকী নাৰী এজন পুৰুষৰ সৈতে বিবাহ পাশত আবদ্ধ হয়, তেতিয়া কেৱল শাৰীৰিক মিলন নহয় আত্মাৰ মিলন হয় আৰু য'ত আত্মাৰ মিলন হয় এই আত্মাৰ মৰণ নাই কেতিয়াওঁ, কায়িক উপস্থিতি সদায় থাকে। এই সময় কিছু সামাজিক নিয়ম পৰিৱৰ্তনৰ, কিছু মানসিকতা সলনিৰ সময়, সেয়ে কেতিয়াওঁ নক'ব ভগৱান স্বৰূপ স্বামীয়ে ভালপোৱাৰ চিন স্বৰূপে পিন্ধাই থৈ যোৱা এই সেন্দূৰ কন মুচি দিবলৈ, কাৰণ এই সেন্দূৰ কনেই এগৰাকী নাৰীৰ কৱবাত স্বামী অবৰ্তমানৰ ৰক্ষাকৱচ। শক্তিশালী কৰি ৰাখিব তেওঁক এই সেন্দূৰ কনে। জীৱনৰ প্ৰতিটো পৰিস্থিতিৰ লগত যুঁজিবলৈ এগৰাকী নাৰীৰ পৰা অন্ততঃ এই অধিকাৰ কন কাঢ়ি নপেলাব, জিলিকি থাকিবলৈ দিয়ক এই ঐশ্বৰিক শক্তিৰ আধাৰ এই সেন্দূৰ কন প্ৰতি গৰাকী নাৰীৰ শিৰত উজ্বলি।

# প্ৰতিভাৱান সংগীত শিল্পী, অভিনেতা, উদ্যমী যুৱক জ্ঞানদ্বীপ বৰাৰ অকাল মৃত্যু



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ এলেকাধীন ৰাইদঙীয়াৰ আইভেটী নিৱাসী প্ৰতিভাৱান সংগীত শিল্পী, সুদক্ষ অভিনেতা, উদ্যমী যুৱক জ্ঞানদ্বীপ বৰাৰ দেওঁবাৰে নিশা আকস্মিকভাৱে দেহাৱসান ঘটে। জানিব পৰা মতে, বিগত কেইমাহমানৰ পৰা লিভাৰজনিত ৰোগত আক্ৰান্ত হৈ থকা যুৱকজনে দিনটো আনদিনাৰ দৰেই স্বাভাবিকভাৱে চলাফিৰা কৰি আছিল যদি নিশা হঠাতে গাটো বেয়া লগা বুলি কোৱাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ নগাঁৱৰ চিকিৎসালয়লৈ নিয়ে যদিও তাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। প্ৰায় দুকুৰি বছৰীয়া যুৱকজনে নিজৰ দক্ষতাৰ বলত খুব কম দিনৰ ভিতৰতে সাংস্কৃতিক ক্ষেত্ৰত নিজকে পৰিচিত কৰাবলৈ সক্ষম হৈছিল। তেওঁ অসমৰ বহুকেইজন কণ্ঠশিল্পীৰ লগত বাদ্যযন্ত্ৰ সংগত কৰাৰ উপৰিও কেইবছৰমান আগশাৰীৰ ভ্ৰাম্যমাণ থিয়েটাৰ দলটো বাদ্যযন্ত্ৰী হিচাপে জড়িত আছিল। তদুপৰি তেওঁ নগাঁও আৰু মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা নাট, ভাওনা আদিতো বাদ্যযন্ত্ৰ সংগত কৰি আহিছিল। সুদক্ষ অভিনেতা হিচাপেও আন এক পৰিচয় থকা যুৱকজনে অসমীয়া ভাওনাত কৰা বলিষ্ঠ অভিনয়ে দৰ্শকক বেছ আপ্লুত কৰিবলৈ সক্ষম হৈছিল। সমাজ সচেতন যুৱক হিচাপে তেওঁ বহুকেইটা সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত থাকি সমাজৰ হকে সেৱা আগবঢ়াই আহিছিল। মৃত্যুৰ সময়ত তেওঁ পিতৃ-মাতৃ, পত্নী, ভাতৃকে ধৰি বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ গৈছে।

সত্যমেৱ জয়তে
অসম চৰকাৰ

# শ্ৰদ্ধাঞ্জলি আঁচনি

**বহিঃৰাজ্যত মৃত্যু হোৱা অসমৰ ব্যক্তিৰ নশ্বৰ দেহ মৰ্যাদা সহকাৰে স্বগৃহলৈ অনাৰ পদক্ষেপ**

আঁচনিখনৰ সবিশেষ
সেৱা সেতু
প'ৰ্টেলত উপলব্ধ



## বৈশিষ্ট্যসমূহ

- বহিঃৰাজ্যত বিশেষ পৰিস্থিতিত মৃত্যু হোৱা অসমৰ স্থায়ী বাসিন্দাৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য হ'ব
- আৰ্থিকভাৱে সবল শ্ৰেণী বা নিজাববীয়াকৈ ব্যৱস্থা কৰিব পৰা লোকৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য নহ'ব
- চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ যোৱা ৰোগীসকলক এই আঁচনিত সামৰি লোৱা নহ'ব
- আঁচনিখন ৰূপায়ণত গৃহ আৰু ৰাজনৈতিক বিভাগৰ তত্ত্বাৱধানত অসম আৰক্ষীয়ে সমন্বয় ৰক্ষা কৰিব

**আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ-**

৯১৮১০-১৪৮৮৮
১১২
০৩৬১-২৩৮১৫১১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 4089/25/23-January-26

# মুকালমুৱাৰ চতেমাৰী গাঁৱৰ শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰৰ মুখ্য তোৰণ মুকলি



**শংকৰ দাস, মুকালমুৱা ঃ** নলবাৰী জিলাৰ নৱগঠিত টিহু বিধানসভা সমষ্টিৰ অন্তৰ্গত চতেমাৰী গাঁৱৰ লক্ষ্মী মন্দিৰৰ নৱনিৰ্মিত মূল তোৰণখন পহিলা মাঘত মুকলি কৰা হয়। পশ্চিম চতেমাৰীৰ মাজভাগত থকা লক্ষ্মী মন্দিৰটোৰ মূল তোৰণখন আটকধুনীয়াকৈ নিৰ্মাণ কৰি উলিওৱা হৈছে। গাঁওখনৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজহিতৈষী ভূপেন দাসৰ পৰিয়ালবৰ্গই কেইবা লক্ষাধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি দিছে লক্ষ্মী মন্দিৰৰ তোৰণখন। পশ্চিম চতেমাৰী গাঁও পৰিচালনা সমিতিয়ে ১৪ জানুৱাৰীৰ পৰা ১৭ জানুৱাৰীলৈ উদ্‌যাপন কৰা ভোগালী বিহু আৰু ৭৬ সংখ্যক মাঘী সভাৰ লগত সংগতি ৰাখি লক্ষ্মী মন্দিৰৰ মূল তোৰণখন আনুষ্ঠানিকভাৱে মুকলি কৰে। আয়তীৰ উৰুলি আৰু মংগলধ্বনিৰে তোৰণখন ৰঙা ফিটা কাটি মুকলি কৰে লক্ষীমপুৰ কমাৰ্চ কলেজৰ সহযোগী অধ্যাপক ড° দিগন্ত কুমাৰ দাসে। তোৰণ মুকলি অনুষ্ঠানত উপস্থিত থাকে গুৱাহাটী কমাৰ্চ কলেজৰ অধ্যক্ষ ড° বিপুল দাস, পশ্চিম চতেমাৰী গাঁও পৰিচালনা সমিতিৰ সভাপতি কমলেশ্বৰ দাস, সম্পাদক অক্ষয় হালৈ, বিশিষ্ট কবি তথা সমাজহিতৈষী কুশল হালৈকে ধৰি গাঁওখনৰ শতাধিক লোক।

# ৰাইদঙীয়াত শিশুৰ সৰ্বাংগীণ বিকাশৰ লক্ষ্যৰে ‘মন ঘৰ’ নামৰ অনুষ্ঠানৰ আত্মপ্ৰকাশ



**জয়ন্ত মুদৈ, নগাঁও ঃ** বৰ্তমান সময়ৰ আধুনিকতাৰ ধামখুমীয়াত পৰি নৱ প্ৰজন্মৰ বহুতৰে নৈতিক স্খলন ঘটা দেখিবলৈ পোৱা গৈছে। আচলতে, সমাজৰ উঠি অহা এই প্ৰজন্মক ভালদৰে গঢ়ি তুলিব নোৱাৰাৰ বাবেই এনে মানসিকতাৰ সৃষ্টি হৈছে নৱ প্ৰজন্মৰ মাজত। সেয়ে শিশুসকলক শৈক্ষিক, মানসিক আৰু নৈতিক দিশত সবলভাৱে গঢ়ি তুলি এটি সুন্দৰ ভৱিষ্যতৰ দিশে আগবঢ়াই নিয়াৰ মহান উদ্দেশ্যৰে নগাঁও জিলাৰ ৰাইদঙীয়াত জন্ম লাভ কৰিছে এটি ব্যতিক্ৰমী অনুষ্ঠানৰ। ৰাইদঙীয়াৰ ভাটিখণ্ডৰ কেইবাজনো শিক্ষিত দূৰদৰ্শী যুৱক-যুৱতীয়ে সম্পূৰ্ণ নতুন চিন্তাৰে জন্ম দিছে ‘মন ঘৰ’ নামৰ এই অনুষ্ঠানটিৰ। ইতিমধ্যে, মাধূৰ্য্য কলিতা, নিহা উজীৰ, হৰ্ষিতা বৰা, গাৰ্গী কলিতা, নেত্ৰ কমল কৃষ্ণাত্ৰেয়, টিৰুত কুমাৰ বৰা, চুমি কলিতাকে ধৰি কেইবাজনো যুৱক-যুৱতীৰ ঐকান্তিক প্ৰচেষ্টাত গঢ় লৈ উঠা এই অনুষ্ঠানটিৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। তদনুযায়ী ৰাইদঙীয়া শ্ৰীমন্ত শংকৰদেৱ প্ৰাথমিক বিদ্যালয়ত এই অনুষ্ঠানটিৰ শুভাৰম্ভণি অনুষ্ঠানটি সফলতাৰে সম্পন্ন হৈ যায়। জানিব পৰা মতে, এই অনুষ্ঠানটিৰ জৰিয়তে শিশুসকলক বিভিন্ন বিষয়ৰ চুটি ছবি প্ৰদৰ্শন, কম্পিউটাৰ শিক্ষা, প্ৰাতঃভ্ৰমণ কৰোৱা, কথা-বতৰা কোৱাৰ পদ্ধতি, গছ-গছনি বা জীৱ-জন্তু চিনাক্ত কৰা, খেলা-ধূলা, কবিতা আবৃত্তি, সাধু কোৱা আদিৰ সম্যক জ্ঞান প্ৰদান কৰা হ’ব। শিশুৰ সৰ্বাংগীণ বিকাশৰ উদ্দেশ্যে আত্মপ্ৰকাশ হোৱা এই ‘মন ঘৰ’ নামৰ এই অনুষ্ঠানটিৰ জৰিয়তে দেশৰ ভৱিষ্যত নাগৰিক শিশুসকল বহু পৰিমাণে উপকৃত হ’ব বুলি সচেতন মহলে আশা ব্যক্ত কৰিছে।

# নগাঁৱৰ মাজপোতনী বৰবাকৰি পথাৰত ম’হযুজঁ প্ৰতিযোগিতা সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** ভোগালী বিহুৰ ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰি যোৱা ১৮ জানুৱাৰীত নগাঁও জিলাৰ মাজপোতনী বৰবাকৰি পথাৰত ম’হযুজঁ প্ৰতিযোগিতা অনুষ্ঠিত হয়। শিঙিয়া পোতনী অঞ্চলৰ মাজপোতনীৰ পথাৰত অনুষ্ঠিত হোৱা ম’হযুজস্থলীত অভূতপূৰ্ব দৰ্শকৰ ভিৰ দেখা যায়। ম’হযুজঁ প্ৰতিযোগিতাখনত কেবা সহস্ৰাধিক দৰ্শকৰ উপস্থিতিত ২২ হাল ম’হ যুঁজত অৱতীৰ্ণ হয়। এনেদৰে যুঁজত অৱতীৰ্ণ হোৱা ম’হৰ ভিতৰত পোতনী গেৰেকীৰ শিৱ কলিতা আৰু গোমোঠা গাঁৱৰ মণ্টু শইকীয়াৰ ম’হে আকৰ্ষণীয় যুজঁ প্ৰদৰ্শন কৰি ৰাইজক আমোদ দিয়ে। এই যুঁজত শিৱ কলিতাৰ ম’হটো প্ৰথম বিজয়ী হিচাপে পুৰস্কাৰ আৰু মণ্টু শইকীয়াৰ ম’হে বিজেতা হিচাপে পুৰস্কাৰ লাভ কৰে। আনহাতে ম’হযুজঁ প্ৰতিযোগিতাখনত পোতনী তেলীয়া গাঁৱৰ প্ৰদীপ শইকীয়াৰ ম’হে দ্বিতীয় বিজয়ী হিচাপে আৰু পোতনী পানী গাঁৱৰ বাবু শইকীয়াৰ ম’হে বিজেতা হিচাপে পুৰস্কাৰ লাভ কৰে। তদুপৰি প্ৰতিযোগিতাখনত মৃদুল বৰা, সোনমণি বৰা, প্ৰবীণ ভূঞা আৰু ভাইকণ কৰ্মকাৰৰ ম’হে নিচুকনি পুৰস্কাৰ লাভ কৰে। ম’হযুজঁ প্ৰতিযোগিতাখনত বিচাৰকৰ আসন অলংকৃত কৰে মানিক চন্দ্ৰ বৰা আৰু ৰঞ্জন মেধিয়ে। প্ৰতিযোগিতাৰ অন্তত সমাজকৰ্মী দয়াল বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বঁটা বিতৰণী সভাত স্থানপ্ৰাপ্ত ম’হৰ গৰাকীক নগদ ধনেৰে পুৰস্কৃত কৰা হয়। উল্লেখযোগ্য যে, ম’হযুঁজ প্ৰতিযোগিতাখন অনুষ্ঠিত হোৱাৰ পূৰ্বে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

# ছফটৱেৰৰ অভিযন্তা হিতেশ কলিতাৰ আত্মজীৱনী ‘হেঁপাহ’ উন্মোচন




**সুনীল দাস, মিৰ্জা ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱত জন্মগ্ৰহণ কৰা লেখক হিতেশ কলিতাই ছফট্‌ৱেৰ অভিযন্তা হিচাপে সুদীৰ্ঘ এটা দশক ধৰি আমেৰিকা যুক্তৰাষ্ট্ৰত কাৰ্যনিবাৰ্হ কৰি আছিল। এখন অখ্যাত গাঁৱৰ পৰা গৈ সুদূৰ আমেৰিকাত প্ৰতিষ্ঠা লাভ কৰি পুনৰ ওপজা মাটিলৈ উভতি অহাৰ বৰ্ণময় অভিজ্ঞতাৰে সজোৱা হেঁপাহ নামৰ আত্মজীৱনীমূলক গ্ৰন্থখন পলাশবাৰীৰ ৰামপুৰত উন্মোচন কৰা হয়। দক্ষিণ কামৰূপৰ এগৰাকী উদীয়মান লেখক তথা ৰাজনীতিবিদ হিতেশ কলিতাৰ ৰামপুৰস্থিত বাসগৃহত সোমবাৰে আনুষ্ঠানিকভাৱে উন্মোচন কৰে বিশিষ্ট সাংবাদিক নৰেশ কলিতাই। লেখক হিতেশ কলিতাৰ ভাষ্য অনুসৰি হেঁপাহ গ্ৰন্থখন কেৱল আত্মজীৱনী নহয়, এয়া এক লেখকৰ হৃদয়ৰ আভ্যন্তৰীণ আহ্বানৰ প্ৰতিফলন, যিয়ে এখন সৰু গাঁৱৰ পৰা নতুন পৃথিৱীলৈ যাত্ৰা কৰি সুদূৰ আমেৰিকাত সুদীৰ্ঘ সময় অতিবাহিত কৰি শেষত বহু অভিজ্ঞ তাৰে পৰিপুষ্ট হৈ ওপজা মাটিলৈ উভতি আহিছিল । গাঁওৰ মাটিৰ সুবাস লৈ আৰম্ভ হোৱা এটা সপোন-সংগ্ৰাম, অধ্যৱসায় আৰু আত্মবিশ্বাসে লৈ গৈছিল তথ্য প্ৰযুক্তিৰ বিশ্বলৈ-বিদেশৰ মাটিত লাভ কৰা অভিজ্ঞ তা, হৃদয়ত দেশ-মাটিৰ টান, নৱ প্ৰজন্মক সপোন দেখিবলৈ সাহস যোগোৱা আত্মজীৱনীয়েই হ’ল ‘হেঁপাহ’। ৰসায়ণ বিজ্ঞান বিভাগৰ ছাত্ৰ কলিতাই মাদ্ৰাছ বিশ্ববিদ্যালয়ৰ পৰা এম. এচ. চি উত্তীৰ্ণ হৈ আমেৰিকালৈ উৰা মাৰি বিভিন্ন দিশেৰে উজ্বলি উঠি নিজকে ছফট্‌ৱেৰ অভিযন্তা হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী সময়ত পুনৰ ঘৰৰ ল’ৰা ঘৰলৈ উভতি আহি নেতৃত্ব, ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ অনিৰুদ্ধ যাত্ৰাৰ দুটা বছৰ নামৰ গ্ৰন্থ দুখন প্ৰকাশৰ পিছত এইবাৰ আগবঢ়াই দিছে ‘হেঁপাহ’। উল্লেখ্য এই গৰাকী বিশিষ্ট লেখক তথা ৰাজনীতিবিদ হিতেশ কলিতাই আগন্তুক বিধান সভা নিৰ্বাচনত ২৯ নং পলাশবাৰী বিধানসভা সমষ্টিত ভাৰতীয় জনতা পাৰ্টি দলৰ পৰা প্ৰাৰ্থিত্ব বিচাৰি ইতিমধ্যে সমষ্টিৰ চুকে কোনে আৰম্ভ কৰিছে ৰাজনৈতিক কাম কাজ।

# বামুন্দীত ঐতিহাসিক সভা-গোন্ধ উৎসৱৰ শুভাৰম্ভ কৰিলে বিশিষ্ট চিকিৎসক ডাঃ বেদব্ৰত পাঠকে



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বামুন্দী শ্ৰীশ্ৰী গোপালেশ্বৰ গোসাই ঘৰত দুদিনীয়া কাৰ্যসূচীৰে যোৱা ১৯ জানুৱাৰীৰ পৰা ধৰ্মীয় তথা পৰম্পৰাৰ উৎসৱ সভা-গোন্ধ আৰম্ভ হয়। বামুন্দী ৰাইজ গয়ৰহ পঞ্চায়তৰ উদ্যোগত প্ৰতি বছৰে অনুষ্ঠিত এই ‘সভা-গোন্ধ’ উৎসৱ যোৱা ১৯ জানুৱাৰীৰ সন্ধিয়া সাত বজাত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে বিশিষ্ট চিকিৎসক তথা বিজেপি দলৰ অনুসূচিত জাতি মৰ্চাৰ উপ-সভাপতি ডাঃ বেদব্ৰত পাঠক আৰু আছুৰ প্ৰাক্তন ছাত্ৰ নেতা প্ৰকাশ দাসে। ইয়াৰ পাছতে পশ্চিম বংশৰ মৌজাৰ লগতে নিকটৱৰ্তী গাঁৱৰ নিমন্ত্ৰিত অতিথিসকলক সিধা দিয়া পৰ্ব আৰম্ভ হয়। উল্লেখ্য যে, প্ৰায় ১৭২ বছৰ পুৰণি সভা-গোন্ধৰ দিনাখন সিধা দিয়া প্ৰথা বিৰল আৰু অভিনৱ পৰ্ব। সিধাৰ বয়-বস্তু যোগাৰ কৰা ব্যৱস্থাটো বিশেষভাৱে মন কৰিবলগীয়া। ইতিমধ্যে সিধাৰ বাবে বামুন্দী ৰাইজ গয়ৰহৰ অধীনৰ প্ৰতিটো পৰিয়ালে তিনিকিলো চাউল,এক আটি শুকান খৰি, লাউ, বেঙেনা আলু নাইবা কোমোৰা আদি যি কোনো পাচলি আদি দিয়াৰ উপৰিও প্ৰতিটো পৰিয়ালে এটা বৰঙণি দিব লাগে আৰু এই বৰঙণিৰ সামগ্ৰীবোৰ প্ৰতিটো খেলৰ নিৰ্বাচিত প্ৰতিনিধিৰ দ্বাৰা সংগ্ৰহ কৰা হয়। তদুপৰি সিধাৰ বাবে আগতীয়াকৈ ভড়াঁল ঘৰত তেল, মছলা নিমখ, তামোল,পাণ আদি জমা কৰি ৰখা হয়। তাৰ পিছত ভড়াঁল ঘৰৰ চোতালত ৰভা সজা হয়। এই সভা-গোন্ধত সিধা লোৱাৰ বাবে ওচৰ চুবুৰীয়া গাঁওসমূহক নিমন্ত্ৰণ কৰা হয় আৰু সভাৰ দিনা সন্ধিয়া ছয় বজাৰ পৰা নিশা দহ বজালৈ সিধা দিয়া হয়। প্ৰথমতে নিমন্ত্ৰিত গোসাঁই বামুণৰ চৰণ ধুৱাই, ৰভাৰ তলত সংৰক্ষিত আসনত বহিবলৈ দি মাল্য সহিতে তামোল-পাণৰ আৰ্চা দিয়া হয়। ডলা পাতি হৰিধ্বনি কৰাৰ লগে লগে কৰ্মী সকলে নিজৰ নিজৰ আসনত বহে। সিধা প্ৰথমতে গোসাঁই বামুণক দিয়া হয় আৰু ইয়াৰ পিছত নিমন্ত্ৰিত গাঁওবাসীক সিধা দিয়া হয়। প্ৰত্যেক দলৰে জনসংখ্যা অনুপাতে চাউল, মাছ, খৰি, তৰকাৰী, মিঠাতেল মা-মচলা আদি দিয়া হয়। সেই দিনা স্থানীয় যি কোনো পৰিয়ালত গৈ ৰান্ধি খাব পাৰে। নিশালৈ সিধা গ্ৰহণ কৰি সভাস্থলীত যাত্ৰা পাৰ্টিৰ দ্বাৰা নাট উপভোগ কৰে। সভাৰ দিনাখন গধূলি সময়ত মালোৱা জ্বলোৱা দৃশ্য অতি মনোৰম। কলগছৰ মধা কাটি মালোৱা আৰিত সজাই সৰিয়হৰে মালোৱা জ্বলোৱা হয়।গয়ৰহে নিৰ্বাচন কৰা মেধিয়ে মালোৱা জ্বলাব পাৰে। মালোৱা জ্বলোৱা ব্যক্তিজন দিনত উপবাসে থাকিব লাগে। মালোৱাৰ তেল দিবলৈ চুপি আৰু বেহী ব্যৱহাৰ কৰা হয়। দ্বিতীয়দিনা দিনৰ ১২ বজালৈ নিমন্ত্ৰিত গাঁৱৰ ভকতসকলক সিধা দিয়া হয়। সিদিনা দুপৰীয়া নামঘৰত সম্পূৰ্ণ বৈদিক নিয়মেৰে বিষ্ণু হোমাদি কৃত্য কৰি গাওঁৰ বয়োজ্যেষ্ঠ লোকৰ পৰা জীয়াৰী বোৱাৰী সকলোৰে সমূহীয়াভাৱে বছৰটোৰ বাবে ভগৱান বিষ্ণুৰ আশীৰ্বাদ লয়। আবেলি সভাঠলীত ধুলীয়া, ভাওনা, ওজাপালিৰ নৃত্যই সভাস্থলীত উখল মাখল পৰিৱেশৰ সৃষ্টি কৰে। গধূলি উৎসৱৰ অন্তত ভড়াঁল ভাঙি ভড়াঁলৰ অৱশিষ্ট বয়বস্তু প্ৰতিঘৰ পৰিয়ালৰ মাজত নিৰ্মালী হিচাপে সমভাৱে বিতৰণ কৰা হয়।

# অসমৰ যশস্বী অভিনেতা দীপক ৰয়ৰ সৈতে এক অন্তৰংগ আলাপ

অসমীয়া চলচ্চিত্ৰ, হিন্দী চলচ্চিত্ৰ, মঞ্চ, ধাৰাবাহিক আদিত বিভিন্ন চৰিত্ৰত বলিষ্ঠ অভিনয় কৰা অসমৰ জনপ্ৰিয় অভিনেতা দীপক ৰয়ৰ সৈতে হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ'ল ঃ

**■ অসমৰ অভিনয় জগতলৈ আপোনাৰ প্ৰৱেশ কেনেকৈ হৈছিল ?**

**দীপক ৰয় ঃ** সেইটো এটা বৰ অদ্ভুত ধৰণৰ কাহিনী। ১৯৯৭ চনলৈকে মই এটা প্ৰাইভেট কোম্পানীত চাকৰি কৰি আছিলোঁ হঠাৎ কোম্পানীটো বন্ধ হৈ গ'ল। তেতিয়া যথেষ্ট আহুকালৰ সৃষ্টি হ'ল। কাম বিচাৰি মই অলপ হাবাথুৰি খাব লগা হ'ল। হঠাৎ মই ভাবিলোঁ যে অভিনয় লাইনটোলৈ গৈ চাওঁ কিয়নো মই আইনাত নিজকে চাই হিৰো হিৰো যেন ভাব এটা হয় (অলপ হাঁহি)। সেইসময়তে মোৰ বন্ধু প্ৰশান্ত গোস্বামীয়ে মোক ক'লে যে অসমৰ জনপ্ৰিয় অভিনেতা পৰিচালক মুন্না আহমেদৰ 'অংকন স্কুল অৱ ড্ৰামা'ত তই অভিনয়ৰ প্ৰশিক্ষণ এটা ল। তেতিয়া তই অভিনয়ৰ লাইন এটা লাভ কৰিব পাৰিবি। তাৰপিছত অংকন স্কুল অৱ ড্ৰামাত মই Admission ল'লোঁ আৰু Admission লোৱাৰ পিছত বাট পথবিলাক মুকলি হ'ল। অভিনয়ৰ লাইন এটা পালোঁ। আদিল দা, সীমা বাইদেউ, বাহাৰুল দা আদিৰ দৰে অসমৰ স্বনামধন্য অভিনেতা-অভিনেত্ৰীৰ সান্নিধ্য লাভ কৰিলোঁ। ১৯৯৯ চনত 'জোনাকৰ বৰষুণ' নামৰ এখন ধাৰাবাহিকত প্ৰথম মই সহ অভিনেতা হিচাপে অভিনয় কৰোঁ। প্ৰথম অৱস্থাত অসমৰ জনপ্ৰিয় চলচ্চিত্ৰ পৰিচালক পুলক গগৈ ধাৰাবাহিকখনৰ পৰিচালক আছিল আৰু তাৰপিছত খণ্ড পৰিচালক হিচাপে মুন্না আহমেদে ধাৰাবাহিকখন পৰিচালনা কৰিছিল। ৰং চেনেলৰ বিভিন্ন ধাৰাবাহিকত মই অভিনয় কৰোঁ। কিন্তু Finally মোক এটা সুন্দৰ Recognition দিলে ৰেঙনি চেনেলৰ বেহাৰবাৰী Outpost ধাৰাবাহিকখনে। তাত মই সোহন সিং নামৰ বি. এছ এফ হাবিলদাৰ এজনৰ চৰিত্ৰত অভিনয় কৰোঁ। মই মুন্না আহমেদৰ দ্বাৰা পৰিচালিত 'জোন জ্বলে কপালত' ছবিখনত প্ৰথম এজন চিকিৎসকৰ চৰিত্ৰত অভিনয় কৰিছিলোঁ। ২০০৫-২০০৬ চন মানত "Maa Where Are You" বুলি এখন হিন্দী ছবিত অভিনয় কৰিছিলোঁ। প্ৰযোজকজন আমাৰ অসমৰে আছিল কিন্তু গোটেই Team টো মুম্বাইৰ আছিল।মোৰ লগত বলিউডৰ জনপ্ৰিয় অভিনেতা পৰীক্ষিত চাহনী, অভিনেত্ৰী গৰাকীৰ নাম মোৰ মনত পৰা নাই। কিবা খোটে উপাধিৰ আছিল অভিনেত্ৰী গৰাকী। পৰৱৰ্তী সময়ত দুখন হিন্দী ছবিত মই অভিনয় কৰিছিলোঁ। এখন কে. কে মেননৰ দ্বাৰা অভিনীত পেনাল্টী বুলি এখন ছবিত মই অভিনয় কৰিছিলোঁ। তাত এজন ফুটবল প্ৰশিক্ষকৰ চৰিত্ৰত অভিনয় কৰিছিলোঁ। 'ব্ৰুনী' বুলি এখন হিন্দী ছবিত মই এজন পশু চিকিৎসকৰ চৰিত্ৰত অভিনয় কৰিছিলোঁ। ব্ৰুনী বুলি কুকুৰ এটাক কেন্দ্ৰ কৰি কাহিনীটো।ছবিখনে এতিয়ালৈকে মুক্তি পোৱা নাই। চন্দ্ৰ মুদৈৰ দ্বাৰা পৰিচালিত 'পূৰৱ কী আৱাজ' বুলি এখন হিন্দী ছবিত মই অভিনয় কৰিছিলোঁ। পূৰৱ কী আৱাজ ছবিখনত মোৰ লগত উৰ্মিলা মহন্তই অভিনয় কৰিছিল। সেই ছবিখনৰ হিন্দী সংলাপখিনি ময়েই লিখিছিলোঁ। ছবিখনৰ তিনিটা গীত মই ৰচনা কৰিছোঁ। এই ছবিখনত মই এজন ব্ৰিটিছ অফিচাৰৰ চৰিত্ৰত অভিনয় কৰিছিলোঁ।

**■ অভিনয় জগতলৈ আহোঁতে আপোনাৰ পিতৃ-মাতৃৰ অৰিহণা নিশ্চয় যথেষ্ট আছে। আপোনাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কওঁকচোন ?**

**দীপক ৰয় ঃ** মোৰ দেউতাৰ নাম স্বৰ্গীয় খগেন্দ্ৰ চন্দ্ৰ ৰয় আৰু মাৰ নাম শ্ৰীমতী গোপিনী বালা ৰয়। মোৰ দেউতাই ১৯৯৬ চনতে ইহলীলা সম্বৰণ কৰিলে। মই এই লাইনত অভিনয় কৰাৰ আভাসেই মোৰ দেউতাই নাপালে। কিন্তু মোৰ অভিনয়ৰ ভেটিটো দেউতাই গঢ়ি থৈ যোৱা। মোৰ দেউতাই ভাৰতীয় সেনা বাহিনীত Ordinance বিভাগত চাকৰি কৰিছিল। ভাৰতীয় সেনা বাহিনীত চাকৰি কৰাৰ আগতে মোৰ দেউতাই গোৱালপাৰাত যাত্ৰা পাৰ্টিত অভিনয় কৰিছিল। ভাৰতীয় সেনা বাহিনীত চাকৰি কৰোতে দেউতাই ট্ৰান্সফাৰসূত্ৰে ভাৰতবৰ্ষৰ বিভিন্ন স্থানত চাকৰি কৰিছিল। যিমান আৰ্মীৰ ফাংচন অনুষ্ঠিত হৈছিল তাত দেউতাই মোক অভিনয় কৰাইছিল। দেউতাই আৰ্মি ফাংচনত গীত গাই বঁটা বুটলিবলৈ সক্ষম হৈছিল। দেউতাই মহম্মদ ৰফি, মুকেশ, মহেন্দ্ৰ কাপুৰ আদি গায়কৰ গীতসমূহ গাইছিল। দেউতাই মোৰ মনত গীতৰ প্ৰতি এটা ধাউতি যোগাইছিল। দেউতাই মহম্মদ ৰফিৰ অসমীৰে চোতালতে, মুকেশজীৰ এক দিন বিক জায়ে গা মাটিকে মোল আদি গীত আমাক শিকাইছিল। দেউতা আবেলি যেতিয়া অফিচৰ পৰা আহে তেতিয়া চাহ একাপ হাতত লৈ মোক, মোৰ ভণ্টি দুজনীক আৰ্মি কায়দাৰে পেৰেড কৰাই গীত গাবলৈ দিছিল। মায়ে সদায় মোক কৈছিল যে নিজে ভাল পোৱা আৰু আনে ভাল পোৱা কামসমূহ কৰিব লাগে। মায়ে পঢ়া ক্ষতি হ'ব বুলি অভিনয় কৰাৰ ক্ষেত্ৰত মোক কেতিয়াও বাধা দিয়া নাছিল। মায়ে এতিয়াও মোক অভিনয়ৰ ক্ষেত্ৰত অৰিহণা যোগায়।

**■ সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই চিন্তিত কৰে?**

**দীপক ৰয় ঃ** এইটো বৰ টান প্ৰশ্ন। নতুন প্ৰজন্মৰ এটা কথাই মোক বেছি আঘাত দিয়ে যে ডাঙৰ সৰুৰ সন্মানৰ যে এটা ব্যৱধান থাকিব লাগে। আজিকালি আমি দেখা পাওঁ যে New Generation ৰ কিছু ল'ৰা-ছোৱালীয়ে আমি চেটত উপস্থিত হোৱাৰ পিছত বহি থকা নিজৰ চকীখন এৰি দিব নোখোজে। শ্বুটিং স্পটত ডাঙৰৰ সন্মুখত চিগাৰেট খাবলৈও কুণ্ঠাবোধ নকৰে। নিজৰ চৰিত্ৰটো কেনেকৈ Built Up কৰিব পাৰি এই বিষয়ে কোনো চিন্তা চৰ্চা নকৰে। সকলোৰে ক্ষেত্ৰত অৱশ্যে নহয়। যিসকলে চিৰিয়াছলি অভিনয় কৰে তেওঁলোকৰ কথা অৱশ্যে মই কোৱা নাই। এতিয়া আধুনিক যুগ, চৰিত্ৰ এটা গুৰুত্ব দিয়াতকৈ ৰিলছ আদি বনোৱাত নৱ প্ৰজন্ম বেছি ব্যস্ত হৈ থাকে। আমি যেতিয়া প্ৰথম অৱস্থাত অভিনয় কৰো আমাৰ সেই সময়ৰ অভিনেতাসকল বহুতেই এতিয়া প্ৰতিষ্ঠিত অভিনেতা। তেওঁলোকে কিন্তু নিজতকৈ জ্যেষ্ঠ অভিনেতাসকলক যথেষ্ট সন্মান কৰিছিল। মই নিপন দা, বিজু দাহঁতৰ দৰে অসমৰ যশস্বী অভিনেতাসকলৰ সান্নিধ্য লাভ কৰিছোঁ। তেতিয়া তেওঁলোকৰ আগত আমি বহিও নাথাকোঁ। আজিকালি নতুন প্ৰজন্মৰ মাজত সেইটো অলপ কমকৈ দেখা যায়।

**■ আপোনাৰ অসাধাৰণ অভিনয় প্ৰতিভাৰ বাদে সাহিত্য, সংগীত বা অন্য কোনো বিষয়ত আপোনাৰ ৰুচি আছে নেকি ?**

**দীপক ৰয় ঃ** মই গান শুনি ভাল পাওঁ। এটা সময়লৈকে মোৰ হিন্দী সাহিত্যৰ প্ৰতিয়েই ৰুচি আছিল কাৰণ মই Class Seven লৈকেহে অসমত পঢ়িছিলোঁ। তাৰপিছত দেউতাৰ ট্ৰান্সফাৰসূত্ৰে ভাৰতবৰ্ষৰ বিভিন্ন স্থানত বিভিন্ন মাধ্যমত মই পঢ়িবলগা হৈছিল। স্কুল-কলেজৰ শিক্ষা মই অসমৰ বাহিৰতে লৈছিলোঁ। হিন্দী সাহিত্যৰ ভিতৰত মুন্সী প্ৰেমচন্দ্ৰৰ গোদান, গুলচন নন্দাৰ কিতাপ পঢ়িছোঁ। অভিনয় জগতলৈ আহোঁতে অসমীয়া সাহিত্যৰ কিতাপ পঢ়িবলৈ ল'লোঁ। বিশেষকৈ মামনি ৰয়ছম গোস্বামী, কাঞ্চন বৰুৱা, হিতেশ ডেকা, অনুৰাধা শৰ্মা পূজাৰীৰ দ্বাৰা লিখিত কিতাপসমূহ পঢ়িবলৈ লওঁ। গান শুনি মই খুবেই ভাল পাওঁ। গান নুশুনাকৈ মই গাড়ীয়েই চলাব নোৱাৰো।

**■ অকল শিক্ষা আৰু সংস্কৃতিয়েই এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবে নেকি ?**

**দীপক ৰয় ঃ** শিক্ষা আৰু সংস্কৃতি এই দুটা বস্তুটো লাগিবই। আজি বিশ্বায়নৰ এই সময়চোৱাত আমাৰ অসমীয়া সংস্কৃতি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা লাভ কৰিছে। সংস্কৃতিটোৰেই জাতিটোৰ চিনাকী হৈ পৰে বিশ্ব দৰবাৰত। তাৰ সমান্তৰালকৈ শিক্ষাটোও আমাক লাগিব। শিক্ষা এটা জাতিৰ মেৰুদণ্ড। সংস্কৃতি হৈছে আমাৰ জাতিৰ এটা আধাৰ। আমি সংস্কৃতিৰ দ্বাৰাই বিশ্ব প্ৰেক্ষাপটত চিনাকী দিব পাৰোঁ যে আমি অসমীয়া। আমি অসমৰ সম্পদসমূহ যেনে খাৰুৱা তেল, কয়লা, কাঠ, চাহপাত আদিৰ যদি উচিতভাৱে ব্যৱহাৰ কৰি এখন সুন্দৰ বজাৰ এখন যদি বিশ্বৰ বিভিন্ন ক্ষেত্ৰত তৈয়াৰ কৰি ল'ব পাৰি তেতিয়া আমাৰ জাতিটোৰ তথা ৰাজ্যখনৰ এটা উত্তৰণ হ'ব পাৰে বুলি মই ভাবো। এনেকুৱা হৈ থকা নাই যে উত্তৰণ হোৱা নাই উত্তৰণ হৈছে কিন্তু ইয়াক উন্নত পৰ্যায়লৈ নিব পৰা কিবা পথ আছে নেকি সেইটো ভবাৰ আমাৰ থল আছে বা আমি ভাবিব পাৰোঁ।

**■ প্ৰত্যেক অভিনেতাৰ নিজস্ব এক অভিনয় ষ্টাইল থাকে। আপোনাৰ অভিনয়ত আপুনি কোনটো ষ্টাইল লক্ষ্য কৰে ?**

**দীপক ৰয় ঃ** মোৰ অভিনয়ৰ Particular কোনো ষ্টাইল নাই। মই চৰিত্ৰটো জীয়াবলৈ চেষ্টা কৰো। মই মোৰ অনুজ অভিনেতাসকলোকো কওঁ যে চৰিত্ৰটো জীয়াবলৈ চেষ্টা কৰিব লাগে তাত কিবা বিশেষ অভিনয় ষ্টাইলৰ প্ৰলেপ দিয়াৰ প্ৰয়োজন নাই।

**■ মঞ্চ আৰু কথাছবি জগতৰ ভিতৰত আপোনাৰ প্ৰিয় মাধ্যম কোনটো ?**

**দীপক ৰয় ঃ** এতিয়া কথাছবি বা কেমেৰা মাধ্যমৰ অভিনয়ৰ লগত মই জড়িত। গতিকে বৰ্তমান এইটোৱেই মোৰ প্ৰিয়। মঞ্চ অভিনয়ৰ কথা ইমান মই নাভাবিলোঁ। ২০১৪ চনতে মই 'সিঁচাপানীৰ মাছ' বুলি মই মোৰ শেষ নাটকখনহে পৰিচালনাহে কৰিছিলোঁ। মাণিক ৰয়ৰ তত্ত্বাৱধানত ৰবীন্দ্ৰ ভৱনত মই মোৰ শেষ নাটকখনত অভিনয় কৰিছিলোঁ। নাটকখনৰ নামটো মই পাহৰিলোঁ। এতিয়া প্ৰিয় মাধ্যম বুলি ক'লে কেমেৰা মাধ্যমেই মোৰ প্ৰিয়।

**■ অভিনেতা নোহোৱা হ'লে কোনটো পেছা বৃত্তি হিচাপে ল'লেহেঁতেন ?**

**দীপক ৰয় ঃ** অভিনেতা নোহোৱা হ'লে শিক্ষকতা কৰিলোহেঁতেন (হাঁহি)। কাৰণ মই শিকাই ভাল পাওঁ। নহ'লে কৰ্পৰেট চেক্টৰত Job কৰি থাকিলোহেঁতেন চাগৈ।

**■ ছবিতঅভিনয়কৰাসংলাপৰভিতৰতআপোনাৰ প্ৰিয় সংলাপ কোনটো ?**

**দীপক ৰয় ঃ** তেনেকৈ ক'বলৈ অলপ দিগদাৰ হয় (অলপ হাঁহি)। Recently পৰিচালক দেৱপ্ৰসন্নৰ 'হাইৱে ধাবা' বুলি এখন ছবিত মুখ্য চৰিত্ৰ এটাত মই অভিনয় কৰিছোঁ। এজন এজন ঠগ ব্যক্তিৰ চৰিত্ৰত অভিনয় কৰিছোঁ যি নেকি এজন ঠগ আৰক্ষী বিষয়াৰ ভেশ ধৰি মানুহক ডকাইতি কৰে, অপহৰণ কৰে তেনে এটা চৰিত্ৰত মই অভিনয় কৰিছোঁ। সেই ছবিখনৰ এটা সংলাপ ত্ৰিদিপ লাহনে লিখা ধৰিবা পক্ষী, ভাঙিবা পাখী। এই



সংলাপটো মোৰ প্ৰিয় সংলাপ।

**■ আপোনাৰ প্ৰিয় খাদ্য ?**

**দীপক ৰয় ঃ** মা আৰু মোৰ পত্নীয়ে বনাই দিয়া যিকোনো খাদ্যই প্ৰিয়।

**■ আপোনাৰ প্ৰিয় ৰং ?**

**দীপক ৰয় ঃ** পিংক।

**■ আপোনাৰ হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন আৰু অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন ?**

**দীপক ৰয় ঃ** হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা কমল হাছান আৰু প্ৰিয় অভিনেত্ৰী টাবু। অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা সদায় তেওঁৱেই প্ৰিয় হৈ থাকিব তেওঁ বৰ্তমান আমাৰ মাজত নাই। তেখেত হ'ল স্বৰ্গীয় বিজু ফুকন আৰু প্ৰিয় অভিনেত্ৰী নিশিতা গোস্বামী।

**■ আপোনাৰপত্নীতথাপাৰিবাৰিকজীৱনৰবিষয়ে অলপ কওঁকচোন। আপোনাৰ পত্নীয়ে আপোনাৰ অভিনয় জীৱনত কেনেকৈ উৎসাহ যোগায় ?**

**দীপক ৰয় ঃ** মোৰ পত্নীৰ নাম শ্ৰীমতী দীপাঞ্জলি বৰা। মোৰ পত্নীৰ ঘৰ বিশ্বনাথ চাৰিআলিত। মোৰ পত্নীয়ে সাংঘাতিক ধৰণে উৎসাহ যোগায় অভিনয় ক্ষেত্ৰত। তেওঁৰ সহযোগিতা, প্ৰেৰণা আৰু সাহসৰ বাবে মই এটা সংঘৰ্ষময় জীৱন পাৰ কৰিছোঁ। সুখে দুখে আমি জীৱনৰ ২০ টা বছৰ পাৰ কৰিছোঁ। মোৰ এজনী কন্যা সন্তান আছে। তাই সন্দিকৈ কলেজত বি.এছ.চি First Semister ত পঢ়ি আছে।

**■ নতুন প্ৰজন্মৰ অভিনয় বা পৰিচালনাৰ দিশত যিসকল আগবাঢ়ি আহিছে তেওঁলোকক আপুনি কি পৰামৰ্শ দিব বিচাৰে ?**

**দীপক ৰয় ঃ** পৰিচালনাৰ দিশত নৱ প্ৰজন্মৰ যিসকল আগবাঢ়ি আহিছে তেওঁলোক ভীষণ Talented. তেওঁলোকে Teachnology শিকি পৰিচালনাৰ দিশত আগবাঢ়ি আহিছে। তেওঁলোকৰ চিন্তাধাৰা খুব ভাল। So, মই নাভাবোঁ যে তেওঁলোকক বিশেষভাৱে কিবা পৰামৰ্শ দিব লাগে বুলি। কিন্তু এটা কথা মই ক'ব বিচাৰোঁ যে যদিও আমাৰ ছবিসমূহ আধুনিক হৈছে কিন্তু আওঁপকীয়াকৈ হ'লেও আমাৰ অসমৰ কলা সংস্কৃতিৰ অকণমান প্ৰলেপ যাতে সানি দিয়ে। কাৰণ দক্ষিণ ভাৰতৰ ছবিসমূহ চালে দেখা পোৱা যায় যে তেওঁলোক যিমানেই Modern নহওঁক কিয় আওঁপকীয়াকৈ হ'লেও তেওঁলোকে নিজৰ ছবিত নিজৰ সংস্কৃতিৰ কিছু অংশ ৰাখে।

**■ আপোনাৰ আদৰ্শ ব্যক্তি ?**

**দীপক ৰয় ঃ** মোৰ আদৰ্শ ব্যক্তি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ।

**■ জীৱন সম্পৰ্কে আপোনাৰ অভিমত ?**

**দীপক ৰয় ঃ** জীৱন সম্পৰ্কে অভিমত (অলপ হাঁহি)। জীৱন সম্পৰ্কে মোৰ অভিমত হ'ল যে জীৱনটো চাৰিদিনীয়া। নিজে হাঁহা আৰু সুখত থাকা আৰু আনকো হাঁহিবলৈ শিকোৱা আৰু সুখত থাকিবলৈ দিয়া। হিন্দীত ক'বলৈ গলে জীয়ো ঔৰ জিনে দো।

*সাক্ষাৎকাৰ গ্ৰহণ কৰোঁতা*

**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
**ম'বাইল ঃ** ৮৪৭৪০-৯৩১৬৮

## নৈবেদ্যত এটা শতাব্দী

জ্যোতিস্মিতা বৰা
যোৰহাট, অসম

বহুকেইটা ৰাতি চকুপানীত উটি যোৱাৰ পিছত
তোমাৰ কটাক্ষত মই ঘৃণা ছটিয়াইছোঁ,
বাৰিষাৰ প্ৰথমজাক বৰষুণেতেই মেটেকাৰ নাওঁ সাজি
উটুৱাই দিছোঁ এটা মিষ্ট স্পৰ্শৰ গুণগুণনি,
ছটফটাই উঠিছিল কলিজাৰ ধমনী।
তোমাৰ কটাক্ষতাৰ আঁচোৰত গোট মৰা তেজেৰে
ভমকাফুলীয়া হোৱা প্ৰতিটো টোপনিক অট্টহাস্যৰ পৰা
দিলোঁ মুকুতি,
শান্তিৰ নৈবেদ্যত তেতিয়াও আছিল চকুলোৰ সুগন্ধী।
কষ্টৰে সজা ঘৰটিক এৰি আকাশ বিচৰা মানুহ দেখিছোঁ,
পক্ষীপ্ৰিয় মানুহে চৰাইৰ বাবে পিঞ্জৰা সজা দেখিছোঁ,
ফুল ভালপোৱা মানুহেই নৈবেদ্যত ফুল দিয়া দেখিছোঁ,
সেয়ে ময়ো তোমাৰ প্ৰাৰ্থনাত উটি ভাঁহি
পিয়াহত শুকাই যোৱা কণ্ঠটিৰ বাবে বিচাৰিছোঁ এটোপাল পানী;
গছকত ভাগি গ'ল হাজাৰ বিড়ম্বনা নেদেখিলোঁ একোকে
পোহৰত মলঙি ফুৰে জলফাইৰঙী বিভ্ৰান্তি ৰামধেনুৰ দৰে।
তোমাৰ স'তে খোজ মিলাবলৈ
স্বাভিমানৰ প্ৰতিখিলা পৃষ্ঠা নৈত উটুৱাই
মোৰ পোহৰমুখী বাটত কাঁইট পুতিলোঁ,
এতিয়া মাথোঁ মই কাৰাবন্দী অন্ধকাৰ পুতাশালত
ৰাতি ৰাতি ডিঙিত মেৰিয়াই ধৰে চকুপানী অজগৰে
অথচ তোমাৰ হাঁহিটোক মই ঘৰ পাতি দিছোঁ।

হিচাপ কৰিছোঁ প্ৰতিটো চেঁচা কঁপনিৰ উতলাংক
ঈশ্বৰপ্ৰদত্ত হাঁহি এটিৰে ৰামধেনু সাজি
প্ৰত্যেকদিনা সূৰ্য্যক মই তিৰস্কাৰ কৰিছোঁ,
আন্ধাৰৰ নখেৰে পোহৰক হত্যা কৰি
এতিয়া মই সুখ দুখৰ প্ৰতিটো প্ৰাৰ্থনাৰ বিদ্ৰোহী।

ম'বাইল ঃ ৮৪৭৪৮-৯৪৫৩৬

## মোৰ অতদিনৰ গৰ্ব

ৰাণীকান্ত লহকৰ

মোৰ অতদিনৰ গৰ্ব
তুমি নিমিষতে ধূলি কৰি দিলা
দোষ মোৰেই
কিয়বা তোমাৰ চোতালত ভৰি থ'লো
আথে বেথে মাতি নি
নিজান কোঠাত বহালা
য'ত ভালকৈ পোহৰ নোসোমায়
মোৰ অস্বস্তিৰ প্ৰতি তোমাৰ ভ্ৰূক্ষেপ
মোৰ অজ্ঞতাই উচিত শাস্তি বুলি
মানি ল'ব টান পায়
মন উঠিছে ধৰফৰায়

আচলতে কি ধৰণে
আংকটো পাতি ক'ত শেষ কৰিছা
উৰাদিহ নাপায়
মই একপ্ৰকাৰ হায়ৰাণ

চকু খুলি থ'ব পাৰিলে
পাতলিলেহেঁতেন দুখ

মন বেচিব কিনিব নাজানি
বজাৰ ভঙাৰ পৰত
বজাৰৰ বাহিৰত
বহিছো বস্তা পাৰি

লাভ লোকচানৰ প্ৰশ্ন অবান্তৰ
ইয়ে নিজে ৰোৱা ফল।

## বিশ্বশিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ

যমুনা দুলু বৈশ্য
গুৱালকুছি

বিশ্বশিল্পী
আলোকযাত্ৰাৰে
এন্ধাৰ নাশি ,
দি গ'লা বীৰত্বৰে ধৰণীত
পোহৰৰ জ্যোতি।
হে, মহানশিল্পী
সুন্দৰৰ পূজাৰী
অসমীয়া ভাষা, সাহিত্য-সংস্কৃতিৰ
ভেটি গঢ়ি
কবিতা, নাটক, প্ৰবন্ধ, শিশুসাহিত্য
দি গ'লা -বহু অৱদান।
হে যুগজয়ী,
শিল্পী প্ৰণামিছো শতবাৰ
ৰূপান্তৰে গঢ়িলা
নতুন দৃষ্টিৰে
সুৰৰ ঝংকাৰ তুলি
সৃষ্টিৰ অপূৰ্ব সংগীত
বিশ্বজুৰিৰে নাৱাখিলা
জাতি, ধৰ্ম উচ্চ নীচ
কোনো ভেদা-ভেদ,
প্ৰতিজন জনতাৰ মাজত আদৰ্শ
হৈ ৰ'লা -তিনিওকালৰ
নসৃষ্টিৰ - অতীত, বৰ্তমান, ভৱিষ্যতৰ
প্ৰচাৰিত অৰুণ বাণী,
তোৰে মোৰে মুখৰিত দিশে
জগাই তুলিলা বিপ্লৱী প্ৰাণ।

## আঘোণ সোণ সময়

বলিন বৰদলৈ
আলামি, গোলাঘাট

আঘোণমহীয়া বতাহত
হালিজালি নাচে শইচবোৰে
তাত যেন মই দেখা পাওঁ
শ্ৰম ও বেদনাক্লিষ্ট কৃষকৰ মুখ
উৎফুল্লিত হাঁহি সপোন বাস্তৱ -
আশাবোৰ নামি আহে সোনসেৰীয়া সময় হৈ
স্বৰ্গৰ পৰা সাতোৰঙী দিনৰ ইতিহাস লৈ
স্বপ্নৰ শইচ সোণোৱালী নৈ।
বৰষুণ টোপালৰ দৰে সোণ সৰে
সোণ যেন জিলিকে পথাৰ, আকাশ
লমালমেকৈ লাগে আশাৰ ফছল
কঠোৰ দিঠক হৈ নামি আহে সপোন।

সোণবোৰ যেন তেজ হৈ পানী হৈ
ডোঙা পাতে নৈৰ পাৰত
সেই পাৰত ৰচা সপোন মোৰ
আপোন গাঁৱৰ মানুহৰ -
সিহঁতৰ চকুত জুই ফিৰিঙতি
ক্লান্ত হৈও ক্লান্তিহীন
বঞ্চনাত কৃষক সমদল
এতিয়া মুষ্টিবদ্ধ হোৱা সকলো।
সময় আজিও একেই আছে
অবাটে বুলিছে বাট আজিৰ মানুহ...।

## বিফল

পাৰ্থ জ্যোতি ভাগৱতী


জীৱনত যিমান বাৰ বিফল হৈছো
সিমানে হতাশ হৈছো।
সপোনবোৰ যিমান বাৰ ভাগিছে
মই ও সিমান বাৰ ভাগি পৰিছো,
কিন্তু হাৰ মনা নাই
প্ৰত্যেকটো পৰিস্থিতিত এক
সবল মনোভাৱ আৰু এক
ধনাত্মক চিন্তাধাৰা লৈ
জীৱন যাত্ৰাত আগবাঢ়িছো
আৰু এদিন নিজৰ লক্ষ্যত সফল হ'ম...।

## পুনৰ মিলন

ৰাহুল চেতিয়া
চিলাপথাৰ

ভাল পাওঁ বুলি ক'লোৱেই যেনিবা
তুমি জানো তাৰ প্ৰত্যুত্তৰ দিবা।
অশান্ত, অমান্য এই হৃদয়ৰ স্পন্দন
তোমাৰ জানো অন্তৰত অনুভৱিত হয়?
ঘূৰ্ণিয়মান এই অস্থিৰ অশান্ত হৃদয়ৰ
এই ভালপোৱাৰ চহৰত ময়ো যেন এক যাযাবৰ
স্বপ্ন।
যেতিয়ালৈকে আকাশত
জুন-বেলিয়ে
লুকভাকু খেলি থাকিব,
তোমাৰ আমাৰ প্ৰেমৰ উন্মেষত
দুয়ো দুয়োৰে মাজত একাত্ম হোৱাৰ
প্ৰৱল ইচ্ছা প্ৰকাশিত হ'ব,
হয়তো সেইদিনা
স্বয়ং কামদেৱে ৰতী দেৱীৰ সৈতে
প্ৰেমৰ পুষ্প শৰ বৰষিব।
দুচকুত অপেক্ষাৰ উচাহ
যেতিয়ালৈ তোমাৰ হাঁহিবোৰ হৈ থাকিব
বিশুদ্ধ উশাহ।
ভাল পাওঁ বুলি নকওঁ।
কাইলৈ কি হ'ব
কোনেও নাজানে।
হৃদয়ৰ একোনত সাঁচি ৰখা মৰমবোৰ
এনেকৈয়ে জীপাল হৈ থাকিব দিয়া,
পাণ্ডু ঘাটত প্ৰেমৰ নাওখনৰ
লঙ্গৰ পেলাই,
দুয়ো একেলগে সন্ধিয়া দীঘলীপুখুৰী
লিখিত কৰিম এক নতুন জীৱনৰ
আধা লেখা দস্তাবেজ প্ৰেমৰ
পুনৰ লগ পোৱাৰ।

ম'বাইল ঃ ৮৪৭৩৯-৭৩৭৭৫



## আধৰুৱা সপোনৰ চিৎকাৰ

টোলন তছা
কলিয়াবৰ, নগাঁও

এটা নিশা পাৰ কৰিছিলোঁ মই
বিছনাত ইকাতি সিকাতি হৈ,
সেই নিজম নিশাত
আন্ধাৰ নামি আহিছিল এখন নদী হৈ।

মই মানুহ আৰু ঈশ্বৰৰ বাদে
কাকোৱে ভয় কৰা নাছিলোঁ।
হেজাৰ বিজাৰ তৰা খহি পৰা
সেই নিশাটো সংজ্ঞাহীন হৈ পৰিছিল।


উশাহ-নিশাহ নোহোৱা নিশাটোৰ
কোনো গতি নাছিল,
কোনো শক্তি নাছিল
শুনিবলৈ আৰু দেখিবলৈও পোৱা নাছিল।

গোলাকাৰ এখন সৰু পৃথিবী
অৰ্ধ গোলাকাৰ আন এখন পৃথিৱীৰ বুকুত
তাহানিৰ পৰা এতিয়ালৈকে
পৰ্বত পাহাৰ শিল আৰু গছ-গছনিৰ স'তে
নিজ কক্ষপথত ঘূৰিয়ে আছে।
এজাক আধৰুৱা সপোনে ডেউকা কোবাই
চিৎকাৰ মাৰি ধৰালৈ চাই
নিজৰ ঠিকনাৰ সন্ধানত উৰিয়ে আছে।

ম'বাইল ঃ ৮৪৮৬০-৬৮৩৯০

## গাঁওখনলৈ মনত পৰে

■ ড° বনিমা তালুকদাৰ



সময় পালেই দৌৰ মাৰিছিলোঁ মৰমৰ গাঁওখনলৈ
উৎসৱ পাৰ্বনতটো কথাই নাই।
কিমান যে আপোন আছিল গাঁওখন...
ৰাতিপুৱা নামঘৰৰ ডবাৰ শব্দত আমাৰ ঘুমতি ভাঙিছিল....
পুৱাৰ পৰাই ঢেঁকীশাল, ৰান্ধনিশালত আৰম্ভ হৈছিল ব্যস্ততা...
মহেন্দ্ৰ কাই, ফুলেন কাইহঁত গৰু নাঙল লৈ যাবলৈ সাজু হৈছিল পথাৰলৈ....
প্ৰহ্লাদ কাইহঁতে গৰু খেদি নিবলৈ হাতত লৈছিল এছাৰি.....
প্ৰত্যেকৰ হাতত সযতনে পেহী, আইতাহঁতে তুলি দিছিল টেকেলিমুখত দিয়া পিঠা আৰু চাহ....
জলপান অকন মুখত লৈ আমিবোৰে বগাই ফুৰিছিলোঁ গোটেই গাঁওখন....
মানুহবোৰৰ ঘৰে ঘৰে মাত লগাইছিলো....
সোঁৱাদ লৈছিলো গুৰি সান্দহ, লাৰু পিঠা আৰু মাহ কৰাইৰ...
প্ৰত্যেকৰে ঘৰত থকা চাংঘৰৰ দৰে গোহালিবোৰত উঠি চাইছিলো।
তৰণী কাইহঁতে চলাই অনা চৈ দিয়া গৰু গাড়ীত উঠি মনৰ আনন্দত গীত জুৰিছিলো....
নাৰিকল গছৰ পাতেদি বনোৱা আঙুঠি, ঘড়ী পিন্ধি আনন্দত জঁপিয়াইছিলো....
ধান থোৱা ভঁৰাল ঘৰবোৰ জখলা বগাই চাইছিলো।
তাঁতশালৰ মাকোৰ শব্দত গাঁওখন ৰজনজনাই আছিল..
নামঘৰৰ ডবা কাঁহ, কীৰ্তনৰ শব্দত গাঁওখন হৈ আছিল মুখৰিত....
কেনেকৈ পাহৰিম ৰ'দত বহি বগৰী খুন্দি খোৱা, ৰবাব টেঙাৰ সোঁৱাদ লোৱা আৰু টেঙা আম চকলিয়াই জলকীয়া পিতিকি টকলিয়াই খোৱা?
অনিতাহঁতৰ লগত হাচতি, টাংগুটি খেলিছিলোঁ...
মনত পৰে, মাজে মজে মাছ ধৰিবলৈ বোকা পানীত নমা,
দুই এবাৰ বৰশী পেলাই মাছ ধৰা....
সন্ধিয়া পৰত মহ খেদিবলৈ ব্যৱহাৰ কৰা শুকান খেৰৰ জুইৰ গোন্ধ চাৰিওফালে মলমলাই উঠিছিল....
জোনাক নিশা আইতাৰ চাৰিওফালে বহি আকাশৰ তৰাবোৰলৈ চাই আইতাৰ মুখৰ পৰা শুনিছিলোঁ বহুতো কাহিনী....
কেতিয়াবা ঘন আন্ধাৰবোৰ ঢিমিক ঢামাক জোনাকী পৰুৱাৰ পোহৰে মুখৰিত কৰিছিল....
গভীৰ নিশা শিয়াল, ফেউৰাৰ শব্দই পৰিৱেশ আৰু গহীন কৰি তুলিছিল গাঁওখনত...
সেউজীয়া প্ৰকৃতি, মুক্ত বতাহ, মুকলি আকাশখনত কিবা যেন এক আৱেগ লুকাই আছিল....
এনেদৰে বহুদিন গাঁৱত অতিবাহিত হৈছিল....
কামৰ তাগিদাত আমিবোৰ পুনৰ চহৰমুখী হৈছিলো, তথাপি পাহৰিব পৰা নাছিলোঁ গাঁৱৰ সেই মিঠা সুৱাস, সৰল আত্মীয়তা....
এতিয়া জানো গাঁওবোৰ গাঁও হৈ আছে?
পৰিৱৰ্তনৰ ঢৌত পৰি সকলো সলনি হ'ল.....
তথাপি মনৰ মাজত এতিয়াও বিচাৰি ফুৰো সেই মৰমৰ গাঁওখনি য'ত আমাৰ জীৱনবোৰে প্ৰাণ পাই উঠিছিল....।

ম'বাইল ঃ ৯৪৩৫১-৪৪৭৯৪

*প্ৰথম পৃষ্ঠাৰ পৰা*

## বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী মহোৎসৱৰ সামৰণি

স্থানীয় বিধায়ক ৰূপক শৰ্মাই। ইয়াৰ পিছতে বটদ্ৰৱাৰ শ্ৰী শ্ৰী শ'লগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্ত আৰু শ্ৰী শ্ৰী নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ অম্লানজ্যোতি দেৱ গোস্বামীয়ে বন্তি প্ৰজ্বলনৰ লগতে বিদ্যালয় পৰিচালনা আৰু উন্নয়ণ সমিতিৰ সভাপতি উপেন চন্দ্ৰ কলিতাই শ্বহীদ তৰ্পণ কৰাৰ অন্তত বিদ্যালয়ৰ প্ৰয়াত প্ৰতিষ্ঠাপক, দাতা, শিক্ষাগুৰু, কৰ্মচাৰী, শিক্ষাৰ্থী সকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ পিছতে বিধায়ক ৰূপক শৰ্মাই উৎসৱৰ মূল পতাকাৰ লগতে আন ৭৫ খন পতাকা অঞ্চলৰ বিশিষ্ট ব্যক্তি, ভূমিদাতা, প্ৰাক্তন শিক্ষাগুৰু, কৰ্মচাৰীসকলৰ দ্বাৰা উত্তোলন কৰা হয়। সেইদৰে দুপৰীয়া বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ বিপুল কুমাৰ হাজৰিকাই প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰাৰ পিছতে ভেলাঘৰৰ আৰ্হিত নিৰ্মিত অস্থায়ী নামঘৰত আসন প্ৰতিষ্ঠা কৰা হয়। বটদ্ৰৱাৰ শ্ৰী শ্ৰী শ'লগুৰি সত্ৰৰ ডেকা সত্ৰাধিকাৰ উপেন চন্দ্ৰ দেৱ মহন্তই এই আসন প্ৰতিষ্ঠা কৰাৰ অন্তত নাম-প্ৰসংগ পৰিৱেশনেৰে উৎসৱস্থলী মুখৰিত কৰি তোলা হয়। ইয়াৰ পিছতে সদৌ অসম ভিত্তিত বিদ্যালয় পৰ্যায়ৰ চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতাৰ লগতে পিঠা-পনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তদুপৰি বিয়লি বিদ্যালয়ৰ গুৰু-শিষ্য আৰু কৰ্মচাৰীসকলৰ দ্বাৰা এক বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠানৰ লগতে সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলনৰ অন্তত অংকীয়া ভাওনা 'ৰুক্মিণী হৰণ' পৰিৱেশন কৰা হয়। দ্বিতীয় দিনা বিভিন্ন কাৰ্যসূচীৰ সমান্তৰালভাৱে পুৱা এক বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। গুৰুজনাৰ অনুপম সৃষ্টি ভাওনা, দিহা নাম, ভাগৱত যাত্ৰা, গোঁসাই উলিওৱা আদি দৃশ্যাংশৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ মনোমোহা নৃত্য, বটদ্ৰৱাৰ মৌলিক কুঁহিলা শিল্প আদিক সুন্দৰভাৱে প্ৰতিফলিত কৰি উলিওৱা এই বৰ্ণিল শোভাযাত্ৰাই মহাপুৰুষ শংকৰদেৱৰ গুৰুজনাৰ পৱিত্ৰ জন্মভূমি উজ্বলাই তুলি মনোৰম পৰিৱেশৰ উদ্ভৱ ঘটায়। অৱসৰপ্ৰাপ্ত অতিৰিক্ত স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ফণী পাঠক আৰু যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ চিন্তামণি হাজৰিকাই আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা এই শোভাযাত্ৰাই বটদ্ৰৱা অঞ্চল পৰিভ্ৰমণ কৰি এক সুন্দৰ সাংস্কৃতিক বাতাবৰণৰ সৃষ্টি কৰে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত গছপুলি ৰোপণ কৰে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ডাঃ প্ৰদীপ কুমাৰ দেৱমহন্তই। ইয়াৰ পিছতে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু অমৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন, পুস্পাঞ্জলি অৰ্পণ কৰাৰ লগতে বিদ্যালয়খনৰ প্ৰয়াত প্ৰাক্তন শিক্ষাগুৰু, কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকলৰ সোঁৱৰণ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। সেইদৰে বিয়লি গুৰু প্ৰণাম অনুষ্ঠানৰ অন্তত গুৰু সমন্বিতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত কৰা। লংকা শিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মোস্তাফিজুৰ ৰহমান আৰু ধিং পাব্লিক হাইস্কুলৰ জ্যেষ্ঠ শিক্ষক ৰাতুল শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হোৱা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত সমবেত হোৱা গুৰু-শিষ্যই বিগত সময়ৰ স্মৃতি ৰোমন্থণ কৰি আৱেগিক হৈ পৰে। সন্ধিয়া প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা বিদ্যালয় চৌহদত ৭৫ গছি বন্তি প্ৰজ্বলনেৰে আলোকিত কৰি তোলা হয়। তদ্ৰূপ অন্তিম দিনা দুপৰীয়া সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। 'শিক্ষাৰ্থীৰ শিক্ষা আৰু বৌদ্ধিক বিকাশত প্ৰযুক্তিৰ ব্যৱহাৰে সহায় কৰিছে' শীৰ্ষক তৰ্ক প্ৰতিযোগিতাখনিত সঞ্চালকৰ আসন শুৱনি কৰে জেষ্ঠ সাংবাদিক, লিখক ৰক্তাভজ্যোতি বৰাই আৰু বিচাৰকৰ আসন অলংকৃত কৰে নৰ্মৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মুকুটমণি শইকীয়া, ধিং পাব্লিক হাইস্কুলৰ জ্যেষ্ঠ শিক্ষক ৰাতুল কুমাৰ শইকীয়া আৰু বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক দিপাংক গিৰি দেৱ গোস্বামীয়ে। জুৰীয়া মহাবিদ্যালয়ৰ অধ্যাপিকা গাৰ্গী বৰকটকীয়ে শুভ উদ্বোধন কৰা প্ৰতিযোগিতাখনিত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ কেইবাগৰাকী তাৰ্কিকে নিৰ্ধাৰিত বিষয়বস্তুৰ সপক্ষে আৰু বিপক্ষে উপস্থাপন কৰি সুন্দৰ বৌদ্ধিক বাতাবৰণ সৃষ্টি কৰে। ইয়াৰ পিছতে বিয়লি অনুষ্ঠিত হোৱা মুকলি সভাত সভাপতিত্ব কৰে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি উপেন চন্দ্ৰ কলিতাই। শিক্ষক গুণমনি কলিতাই আঁত ধৰা অনুষ্ঠানটিত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকি বটদ্ৰৱা শলগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্তই মহাপুৰুষ শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাৰ ঐতিহ্য, পৰম্পৰা আৰু ইতিহাস সম্বন্ধে আলোকপাত কৰে। আন এগৰাকী অতিথি তথা ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকাই বটদ্ৰৱা শ্ৰী শ্ৰীশংকৰদেৱৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দীৰ্ঘদিনীয়া ইতিহাস, গৌৰৱোজ্বল পৰম্পৰা আৰু সমাজে এতিয়ালৈকে লাভ কৰা অগণন বৰঙণিৰ কথা সোঁৱৰাই, বিদ্যালয়ে শিক্ষাৰ লগতে সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ বিষয়ে আলোচনা কৰে। সভাত বটদ্ৰৱা শ্ৰী শ্ৰীশংকৰদেৱৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নমিতা কলিতাই 'এই বিদ্যালয়ে যি ঐতিহ্য গঢ়ি তুলিছে তাৰে অঞ্চলটোত শিক্ষাৰ বাটকটীয়া হিচাপে কাম কৰিছে বুলি প্ৰকাশ কৰে। উদ্‌যাপন সমিতিৰ সহকাৰী সম্পাদক ইন্দ্ৰমোহন বৰুৱা, কোষাধ্যক্ষ হিৰণ্য কুমাৰ কলিতাকে আদি কৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকা সভাখনত মহাৰজত জয়ন্তীৰ স্মৃতিগ্ৰন্থ 'বটবৃক্ষ' উন্মোচন কৰা হয়। সভাৰ শেষৰ ফালে বিগত তিনিটা দিনত অনুষ্ঠিত কুইজ, তৰ্ক, চিত্ৰাংকন, পিঠা-পনা প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক নগদ ধন আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হয়। সন্ধিয়াৰ পৰা অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়াত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ বৰগীত, বৰদোৱা সত্ৰীয়া সংস্কৃতিৰ বিদ্যালয়ৰ সত্ৰীয়া নৃত্য, শ্ৰীমন্ত শঙ্কৰদেৱ গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত, সত্ৰ মণ্ডলী বটদ্ৰৱাৰ কণমানি শিল্পীৰ খোল বাদন, জিকিৰ আৰু জাৰি, বিহু নৃত্য আদিৰ অন্তত জনপ্ৰিয় কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰৰ সংগীতানুষ্ঠান অনুষ্ঠিত হয়। এই সাংস্কৃতিক অনুষ্ঠান উপস্থিত হৈ বিধায়ক ৰূপক শৰ্মাই ঐতিহ্যমণ্ডিত বিদ্যালয়খনৰ গৌৰৱোজ্বল মহাৰজত জয়ন্তীত অঞ্চলৰ ৰাইজৰ সহায় সহযোগিতাৰে অনুষ্ঠিত অনুষ্ঠানটিত অংশগ্ৰহণ কৰি নিজকে ধন্য মানিছো বুলি প্ৰকাশ কৰে। ইফালে, উক্ত সাংস্কৃতিক অনুষ্ঠানতে নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাইও সুমধূৰ গীত-মাতেৰে উপস্থিত দৰ্শকক আপ্লুত কৰিবলৈ সক্ষম হয়।

## ডাভোছৰ ৱৰ্ল্ড ইক'নমিক ফ'ৰামত অংশগ্ৰহণ কৰা প্ৰথমজন অসমীয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

আকৰ্ষিত কৰা, স্থায়ী উন্নয়ন আৰু প্ৰযুক্তিগত উদ্ভাৱনৰ ক্ষেত্ৰত অসমক আগশাৰীলৈ নিয়াৰ দিশত নিশ্চিত পদক্ষেপ ল'ব।

মুখ্যমন্ত্ৰীগৰাকীয়ে ফ'ৰামত ১৭খনতকৈও অধিক বৈঠকত অংশ ল'ব আৰু বহুকেইখন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিব। মুখ্যমন্ত্ৰীয়ে পৰৱৰ্তী ঔদ্যোগিক যুগৰ বাবে ভৱিষ্যৎমুখী পৰিকল্পনা প্ৰস্তুত, কৰ্মশক্তিৰ সুৰক্ষা, ভ্ৰমণ আৰু পৰ্যটন-১০ ট্ৰিলিয়ন ডলাৰৰ সম্ভাৱনামূলক গন্তব্যস্থলী, স্বাস্থ্য আৰু স্বাস্থ্য সেৱা মঞ্চকে ধৰি চাৰিখনকৈ আলোচনাচক্ৰত অংশগ্ৰহণ কৰিব। তেওঁ ভাৰতৰ দ্ৰুত অৰ্থনৈতিক ৰূপান্তৰৰ অংশ হিচাপে অসমৰ উদ্যোগিক অগ্ৰগতি, বিনিয়োগৰ সুযোগ আৰু সাফল্যৰ বিভিন্ন তথ্য উপস্থাপন কৰিব। বিশ্বৰ অন্যতম সৰ্ববৃহৎ বাণিজ্য সম্মিলনত মুখ্যমন্ত্ৰীয়ে বিদেশৰ বহু উদ্যোগপতিৰ সৈতে একাধিক বুজাবুজি চুক্তিত স্বাক্ষৰ কৰাৰো সম্ভাৱনা আছে।

উল্লেখ্যযোগ্য যে ৱৰ্ল্ড ইক'নমিক ফ'ৰাম এক 'নন প্ৰফিট অৰ্গেনাইজেশ্যন' আৰু এই সংস্থা প্ৰতিষ্ঠা হৈছিল ১৯৭১ চনত। ই প্ৰকৃততে বিশ্বৰ সৰ্ববৃহৎ কাৰ্যকৰী বাণিজ্যিক সম্মিলন। আনহাতে ই বাণিজ্যতে সীমাবদ্ধ নহয়, ইয়াৰ পৰিসৰ অধিক ব্যাপক। ইয়াৰ উদ্দেশ্য হৈছে বিশ্বজুৰি ভূ-ৰাজনীতি, শিক্ষা-প্ৰযুক্তি, আৰ্থিক নীতি, বিনিয়োগ আদিৰে সমৃদ্ধ কৰি বিশ্বৰ অৰ্থনৈতিক বিকাশ সুনিশ্চিত কৰা তথা সামৰি লোৱা।

অসমৰ লগতে এইবাৰ ভাৰতবৰ্ষৰ পৰা আন নখন ৰাজ্যয়ো অংশ গ্ৰহণৰ সুযোগ লাভ কৰিছে, য'ত পাঁচগৰাকী মুখ্যমন্ত্ৰী আৰু চাৰিজন কেন্দ্ৰীয় মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। 'স্পিৰিট অৱ ডায়লগ' বিষয়বস্তুৰে ইক'নমিক ফ'ৰামৰ এই সংস্কৰণত অসমে নিজৰ প্ৰকল্প আৰু ধাৰণা ইয়াত উপস্থাপন কৰিবলৈ পোৱাটো এক উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। ইয়াৰ দ্বাৰা অসমত নতুন বিনিয়োগ, ছেমি কণ্ডাক্টৰৰ দৰে নতুন প্ৰকল্প আৰু যুৱপ্ৰজন্মৰ বাবে নিয়োগ সৃষ্টি আদিকে ধৰি ভিন্ন দিশেৰে অসম সমৃদ্ধ হ'ব। তদুপৰি ভাৰতৰ লগতে এই ফ'ৰামত বিশ্বৰ আন প্ৰায় ৫০খন দেশেও ভাগ ল'ব। মুখ্যমন্ত্ৰীৰ ডাভোছৰ সন্মিলনত অংশগ্ৰহণে ভৱিষ্যতৰ দিনত অসমে নিশ্চিতভাৱে গ্লোবেল ইনভেষ্টমেন্ট হাবৰ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে।

## কাজিৰঙা এলিভেটেড কৰিডৰৰ

আন্তৰিকতাৰ কথা প্ৰকাশ কৰে। তেওঁ কয় যে অসমলৈ আহি তেওঁ সদায় এক বিশেষ আনন্দ লাভ কৰে আৰু এই ভূমি বীৰৰ ভূমি। দুবছৰ পূৰ্বে কাজিৰঙাত কটোৱা সময়বোৰৰ কথা সোঁৱৰণ কৰি তেওঁ কয় যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত নৈশ যাপন কৰা আৰু পুৱা হাতী ছাফাৰী কৰা অভিজ্ঞতা তেওঁৰ জীৱনৰ এক বিশেষ স্মৃতি হৈ ৰৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাষণৰ মাজতে শনিবাৰে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ১০ হাজাৰো অধিক শিল্পীৰ বাগুৰুম্বা নৃত্যৰো ভূয়সী প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীয়ে বড়ো জনজাতিৰ যুৱতীসকলে সৃষ্টি কৰা এই অভিলেখৰ বাবে সকলো নৃত্যশিল্পী আৰু চিফুং বাদকক অভিনন্দন জনায়। তেওঁ বিশেষকৈ উল্লেখ কৰে যে অসমৰ শিল্পীসকলে যি আচৰিত প্ৰদৰ্শন আগবঢ়ালে, সেয়া সমগ্ৰ দেশবাসীৰ বাবে গৌৰৱৰ বিষয়। ইয়াৰ উপৰিও ছ'চিয়েল মিডিয়া ইনফ্লুৱেঞ্চাৰ আৰু সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলক এই কাৰ্যসূচী সুন্দৰকৈ প্ৰচাৰ কৰাৰ বাবে তেওঁ ধন্যবাদ জ্ঞাপন কৰে। অসমৰ কলা-সংস্কৃতি আৰু উন্নয়নক বিশ্বৰ দৰবাৰত লৈ যোৱাৰ ক্ষেত্ৰত এই পদক্ষেপবোৰে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

## উত্তৰ পেটবঢ়া স্বৰ্গীয় ধনীৰাম শইকীয়া জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**লক্ষ্যজ্যোতি বৰা ঃ** নগাঁও জিলাৰ ৰহাৰ উত্তৰ পেটবঢ়া স্বৰ্গীয় ধনীৰাম শইকীয়া জাতীয় বিদ্যালয়ত যোৱা ২০ জানুৱাৰীত ১৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত পতাকা উত্তোলন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আনন্দ হাজৰিকাই। ইয়াৰ পিছতে বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱকান্ত শইকীয়াই। বিদ্যালয় পৰিচালনা সমিতিৰ উদ্যোগত আয়োজিত উক্ত বিশেষ অনুষ্ঠানত যুৱ সাহিত্যিক লক্ষ্যজ্যোতি বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বক্তব্য আগবঢ়ায়। ফুলগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ক্ষিতিকান্ত বৰাই বিশিষ্ট অতিথিৰূপে উপস্থিত থকা অনুষ্ঠানত বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱকান্ত শইকীয়া আৰু শিক্ষয়িত্ৰী দীপালি দেৱী শইকীয়াৰ পৰিচালনাত আৰু শিক্ষক বেদান্ত বৰাৰ তত্বাৱধানত বিদ্যালয়খনৰ সাহাযাৰ্থে ভাগ্য পৰীক্ষা খেল অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আনন্দ হাজৰিকা, সম্পাদক বসন্ত বৰুৱা, প্ৰাক্তন সম্পাদক মৃদুল শইকীয়া আৰু শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ ক্ৰমে জিতেন বৰা, নিতুল ৰাজা, দীপালি দেৱী শইকীয়া, কৃষ্ণা দাস, পম্পী হাজৰিকা, মান্না ৰাজা, জিম্পী বৰা, বেদান্ত বৰা, শিখামণি দাস, জয়ন্ত হাজৰিকা, মনিষা বৰা, ধিৰাক্ষী ডেকা, ৰেখা ভৰালী আৰু অভিভাৱক-অভিভাৱিকাসকলৰ উপস্থিতিত মনোজ্ঞ অনুষ্ঠান ভাগ্য পৰীক্ষা খেল সুচাৰুৰূপে পৰিচালনা কৰা হয়। উল্লেখ্য যে উক্ত অনুষ্ঠানতে পুৰস্কাৰপ্ৰাপ্ত বিজয়ীসকলক আনুষ্ঠানিকভাৱে পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। অনুষ্ঠানৰ সফল ৰূপায়ণ হোৱাৰ বাবে স্বৰ্গীয় ধনীৰাম শইকীয়া জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱকান্ত শইকীয়াই সকলোলৈকে কৃতজ্ঞতা প্ৰকাশ কৰে।

## পৰকীয়া প্ৰেমৰ প্ৰভাৱ

■ প্ৰাণজিৎ মজুমদাৰ

**ব**ৰ্তমান সমগ্ৰ বিশ্বতে পৰকীয়া প্ৰেমৰ প্ৰভাৱ দ্ৰুত গতিত বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। পৰকীয়া প্ৰেমৰ প্ৰভাৱ সমগ্ৰ বিশ্বতে বিয়পি পৰিছে। এই পৰকীয়া প্ৰেমৰ প্ৰভাৱ সমগ্ৰ বিশ্বতে বিয়পি পৰাৰ লগে লগে বহুতৰ মনত বহুত প্ৰশ্নৰ উদয় হৈছে। বহুতে এতিয়া পৰকীয়া প্ৰেমৰ প্ৰভাৱ সমগ্ৰ বিশ্বতে বিয়পি পৰাৰ ফলত কিছুমানে এতিয়া তেওঁলোকৰ যুগ্ম জীৱনৰ পাতনি মেলিবলৈও ভয় কৰিছে। বহুতৰ সুখৰ সংসাৰ শেষ কৰি পেলাইছে বহুতৰ জীৱন শেষ কৰি পেলাইছে এই পৰকীয়া প্ৰেমে। পৰকীয়া প্ৰেমৰ ফলত বহুত অবুজ শিশুই প্ৰাণ হেৰুৱাইছে পৰকীয়া প্ৰেমত অন্ধ হৈ তেওঁলোকে কি কৰিছে ভাল কাম কৰিছে নে বেয়া কাম কৰিছে সেইবোৰ বিচাৰ নকৰে। আমি প্ৰায়ে শুনিবলৈ পাওঁ পৰকীয়া প্ৰেমৰ কাৰণে স্বামীয়ে স্ত্ৰীক হত্যা কৰা, স্ত্ৰীয়ে স্বামীক হত্যা কৰা মাতৃয়ে নিজৰ সন্তানক হত্যা কৰা, তেওঁলোকে পৰকীয়া প্ৰেমত ইমানেই পাগল হয় যে কেনোবাক হত্যা কৰিবলৈও তেওঁলোকৰ অলপমানো হাত নকপে অলপমানো ভয় নালাগে। আমাৰ অসমৰ লগতে সমগ্ৰ বিশ্বতে যিদৰে পৰকীয়া প্ৰেমৰ প্ৰভাৱ দ্ৰুতভাৱে বিয়পি পৰিছে যদি এইক্ষেত্ৰত চৰকাৰে বা প্ৰশাসনে কোনো পদক্ষেপ গ্ৰহণ নকৰে তেতিয়াহ'লে এটা সময়ত এই পৰকীয়া প্ৰেমে ভয়ংকৰ ৰূপ ধাৰণ কৰিব। এই পৰকীয়া প্ৰেমৰ মূল কাৰণ হৈছে আমাৰ হাতত থকা স্মাৰ্ট ফোন এই স্মাৰ্ট ফোনৰ জৰিয়তে নানা ধৰণৰ অনলাইন প্লেটফৰ্মৰ জৰিয়তে বহুতৰ লগত চিনাকি তাৰ পিছত বন্ধুত্ব আৰু সেই বন্ধুত্ব পিছত প্ৰেমিক প্ৰেমিকাৰ ৰূপ লয়। পিছত এই প্ৰেমৰ মিলনৰ কাৰণে তেওঁলোকে তেওঁলোকৰ নিজৰ সুখৰ সংসাৰখন শেষ কৰি গুচি যায়।




Janasanyog RO no 4087/25/23-January-26

# লাহিংত ছিজিজি থিয়েটাৰৰ নাটক 'অসামঞ্জস্য' মঞ্চস্থ



অসমৰ অগ্ৰণী সাংস্কৃতিক গোষ্ঠী ছিজিজি থিয়েটাৰে ২০ জানুৱাৰী ২০২৬ তাৰিখে লাহিংত ছিজিজি থিয়েটাৰৰ নাটক 'অসামঞ্জস্য' প্ৰদৰ্শন হৈ যায় পৰিকল্পনা, পৰিচালনা আৰু অভিনয় ভৰত চুতীয়াৰ। বিচিত্ৰ পৃথিৱীৰ বিচিত্ৰ চৰিত্ৰ যি পৃথিৱীৰ বৈচিত্ৰ্যময় জীৱ মানুহৰ আচৰণ আৰু সংস্কৃতি আৰু সেই পৃথিৱী আজি অসুস্থ। এই পৃথিৱীতে জন্ম আমাৰ। জন্ম তেজ মঙহেৰে গঢ়া পঞ্চভূতৰ এটা দেহৰ। লাহে লাহে সলাইছোঁ পিন্ধিছোঁ মায়া মোহৰ ঠিকনাৰ চোলাটো। কেতিয়াবা ইয়াত কেতিয়াবা ক'ৰবাত, জীৱনৰ কাহিনী গতিতে কোনো সামঞ্জস্য নাই। পখীহৈ সপোনৰ ঠিকনা বিচৰা তোৰে স্বাধীনতা, আশা আৰু লক্ষ্যৰ সন্ধানক সূচায়, যিয়ে জীৱনৰ কষ্টৰ মাজতো নিজৰ সপোনৰ অলিখিত ঠিকনা বিবৃত্তি, সপোনবোৰক বাস্তৱ ৰূপ দিবলৈ ডেউকা মেলি উৰাৰ প্ৰয়াস কৰে। এনে সপোন কাৰ বাবে? যি সপোনৰ পাছে পাছে দৌৰিছোঁ কেৱল দৌৰিছোঁ। সেয়া আচলতে কাৰ সপোন মোৰ? নে মোক সমাজে দেখোৱাই দিয়া সপোন? য'ত পুতলা দৰে মনটোৱে নাচিছে। এই দুদুল্যমান প্ৰশ্নই ক্ষতবিক্ষত কৰে দেহক। তেতিয়াই আকৌ নতুনত্বৰ সন্ধানত জীৱনৰ ঠিকনা দিয়ে আত্মাই। নাটকৰ কাহিনী ৰেখাত আত্মা আৰু দেহে বৈখিক সমীকৰণৰ অপনয়ন উপস্থাপনহে। কেতিয়াবা ধৰা দিয়ে আৰু কেতিয়াবা নিদিয়ে। ঠিক যেনেকৈ কেতিয়াবা আমি নিজক লৈ সচেতন আৰু কেতিয়াবা অৱচেতন। পৰিৱেশনীয় ৰূপটো এডাল সৰল ৰেখা নহয়, কিন্তু কটা চিঙাকৈ বহুতো ৰেখা। সপোন বাটত দেহে মোহ মায়াৰ কেঁকনি আৰাওত আত্মাই সত্য অনুসন্ধান দিয়ে। কিন্তু দেহে পোনৰ অসুস্থ পৃথিৱীৰ মেৰপাছত এৰাল লগাই লয়। মেচিনৰ দৰেহৈ যায় আনৰ নিৰ্দেশনাত। মুক্তি বিচাৰি মানুহ হোৱাৰ হেঁপাহেৰে চিৎকাৰ কৰে তেতিয়াই আত্মপ্ৰকাশ কৰে আত্মাই। আত্মাৰ নিৰ্দেশনা পাই অগ্ৰসৰ হয় অসুস্থ পৃথিৱীৰ চিকিৎসা বাবে। আশা ৰাখে এজন এজনকৈ বন্ধুৰ সঁহাৰি পাব বুলি, মুক্তি কেতিয়া? সেই প্ৰশ্ন কৰে সুবিধাবাদী পঙ্গু সমাজক। সেই উত্তৰৰ অপেক্ষাৰে দেহ ৰৈ থাকে। নাটকত পোহৰ ছিজিজি থিয়েটাৰৰ পৰিচালিকা ৰাবি বৰুৱাৰ, সংগীত কৃতাৰ্থ গৌতম আৰু সুভাঙ্গি কেওঁটৰ।

# শিৱসাগৰৰ খেলুৱৈ পৰিস্মিতা গগৈৰ সাফল্য




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসমৰ লগতে শিৱসাগৰ জিলালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে উদীয়মান ভাৰোত্তোলনৰ খেলুৱৈ পৰিস্মীতা গগৈয়ে। উদীয়মান খেলুৱৈ গৰাকীয়ে 'অস্মিতা খেলো ইণ্ডিয়া মহিলা ভাৰোত্তোলন লীগ'ত সোণৰ পদক লাভ কৰি শিৱসাগৰ জিলালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। শিৱসাগৰৰ বিশেষ সামাজিক ও সাংস্কৃতিক অনুষ্ঠান 'সমন্বয় সাংস্কৃতিক গোষ্ঠী' য়ে পৰিস্মীতা গগৈলৈ অভিনন্দন জনোৱাৰ লগতে শুভেচ্ছা জ্ঞাপন কৰিছে। লগতে অনুষ্ঠানটিয়ে তেখেতৰ প্ৰাৰম্ভিক প্ৰশিক্ষক ৰিতু গগৈকো অভিনন্দন জনাইছে। উল্লেখ্য যে, প্ৰশিক্ষক তথা শিৱসাগৰ সমষ্টিৰ অন্তৰ্গত বগীদ'ল গাঁৱৰ নিবাসী, প্ৰাক্তন ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ ৰিতু গগৈয়ে একক প্ৰচেষ্টাৰে গঢ়ি তোলা youngster weightlifting and powerlifting coaching center ২০২২ ৰ জড়িয়তে কেইবাজনো ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ গঢ়ি তুলিবলৈ সক্ষম হৈছে। প্ৰশিক্ষকগৰাকীক শিৱসাগৰৰ ক্ৰীড়াপ্ৰেমী ৰাইজে শুভকামনা জ্ঞাপন কৰিছে।




# নগাঁৱৰ ৰাইদঙীয়াত সদৌ অসম কাৰাটে চেম্পিয়নশ্বিপত জে জে কে চি-ৰ সাফল্য




**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ ৰাইদঙীয়াৰ পাঁচআলি ৰাজহুৱা মঞ্চত ১৮ জানুৱাৰীত অনুষ্ঠিত হোৱা চতুৰ্থ বাৰ্ষিক সদৌ অসম মাৱাটেকা চিটʼৰিঅʼ কাৰাটে চেম্পিয়নশ্বিপত নগাঁৱৰ জীৱন জ্যোতি কাৰাটে ক্লাৱে (জে জে কে চি) শ্ৰেষ্ঠ দলৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। নগাঁৱৰ মাৱাটেকা চিটʼৰিঅʼ কাৰাটে ডু এছোচিয়েচনৰ ব্যৱস্থাপনাত আয়োজিত প্ৰতিযোগিতাখনিত ৰাজ্যৰ বিভিন্ন জিলাৰ প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰে। নগাঁৱৰ জে জে কে চি-ৰ হৈ ৩৯ জন প্ৰতিযোগীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সৰ্বমুঠ ৭৯ টা পদক লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰে কাটা আৰু কুমিটে মিলি ২৮ টা স্বৰ্ণ, ১৮ টা ৰূপ আৰু ৩৩ টা ব্ৰঞ্জৰ পদক লাভ কৰাৰ লগতে প্ৰথম শ্ৰেষ্ঠ দলৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে নগাঁৱৰ গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ত জে জে কে চি-ৰ মুখ্য প্ৰশিক্ষক বিশ্বজিত সিঙৰ তত্বাৱধানত দলটোৰ প্ৰতিযোগীসকলে প্ৰশিক্ষণ গ্ৰহণ কৰি আহিছে। ইয়াৰোপৰি, আগ্ৰাত যোৱা ১৫, ১৬ নৱেম্বৰত JAPAN KARATE-DO SHOTO RYU INTERNATIONAL, INDIAই আয়োজন কৰা ইণ্ডো-নেপাল কাৰাটে চেম্পিয়নশ্বিপ-২০২৫ প্ৰতিযোগিতাখনত জে জে কে চিৰ কেইবাগৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰি সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভেৰে ৰাজ্যখনৰ লগতে নগাঁও জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল।




# ভোগালী বিহুৰ উৰুকাৰ প্ৰাকমুহূৰ্তত তেজপুৰৰ কণমানি শিল্পী ধৃতিস্মান মেধিৰ 'উৰুকা বুলি' শীৰ্ষক গীত মুকলি




**চন্দন শৰ্মা, তেজপুৰ ঃ** ভোগালী বিহুৰ প্ৰাকমুহূৰ্তত শোণিতপুৰ জিলাৰ সাংস্কৃতিকনগৰী তেজপুৰৰ কণমানি শিল্পী ধৃতিস্মান মেধিয়ে উৰুকাৰ লগত সংগতি ৰাখি প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সমূহ অসমবাসীলৈ নৱবৰ্ষৰ লগতে ভোগালী বিহুৰ আন্তৰিক শুভেচ্ছা যাচি 'উৰুকা বুলি' শীৰ্ষক এটি গীত ইউ টিউব যোগে মুকলি কৰি ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। তেজপুৰৰ বালি পুখুৰী তিনিআলি নিবাসী বুলেন মেধি আৰু লিপিকা পটঙ্গীয়া মেধিৰ সু-পুত্ৰ ধৃতিস্মান মেধিয়ে কণ্ঠ নিগৰোৱা 'উৰুকা বুলি' শীৰ্ষক গীতত কথা, সুৰ আৰু শব্দ হিমাংশু বৰাৰ বুলি আমাক জানিবলৈ দিয়ে। কণমানি শিল্পীজনে সমূহ অসমবাসীক গীতটো আঁকোৱালি ল'বলৈ বিনম্ৰ অনুৰোধ জনায়। আমাৰ তৰফৰ পৰা কণমানি শিল্পী ধৃতিস্মানলৈ শুভকামনা যাঁচিলো।

স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা